REFERENCE
NOT FOR ISS
A. L. A. LIBRAR

# DEBATES OF ASSAM LAGISLATIVE ASSEMBLY

PROCEEDINGS OF THE FOURTEENTH SESSION OF ASSAM LEGISLATIVE ASSEMBLY AFTER THE FIFT GENERAL ELECTION UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION 1976

Vol. No.—I

No.—20

THE 5TH MARCH 1976

1989

Printed at Chandan Printing Works, Guwahati—5

## CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions | 1—32 |
| 2. | Voting on Demands for Grants | 32—59 |
| 3. | Adjournment | 60 |

## QUESTIONS AND ANSWERS

Date : 5th March, 1976

### Re ; Shunting of Railway Train at Dibrugarh

Shri RAMESH MOHAN KOULI asked :

228. Will the Minister, Municipal Administration be pleased to state—

(a) Whether Government is aware of the fact that the Shunting of Railway Trains and Engines in Dibrugarh Town creating not only disturbances to the pedastrians, but also wasting valuable time of the office goers and School going boys and girls endangering their lives ?

(b) If so, whether Government proposes to make alternative arrangement to facilitate undisturbed movement of the pedastrians ?

Shri SYED AHMED ALI ( Minister, Municipal Administration ) replied :

228. (a)—Yes.

(b)—The road on either side of the railway gate is a Municipal road of the Dibrugarh Municipality. Municipal fund does not permit any alternative arra-

ngement.

However, this will be taken up with P. W. D. for their consideration.

Shri Ramesh Mohon Kouli— Sir, though there is difficulty from the side of the municipality whether the Govt. propose to construct a overbridge over the crossing gate ?

SHRI SYED AHMED ALI, ( Minister )—Sir, for the overbridge the concerned department is either Railway or our State Govt., i. e. P. W. D. So, municipality has got nothing to do with it and at the same the municipality has not so much of fund to construct the over bridge or widen the road on both sides of the crossing.

SHRI RAMESH MOHAN KOULI—Sir, the question was not related to municipality ; it is about construction of over bridge or alternative arrangement over the crossing gate which is generally used by pedestrians and the public are facing great difficulty because of the fact that in the road from Santipur side to bazar side people are sometime detained for an hour and the school going children and other office goers also have been finding difficulty in crossing the gate. So my question is whether Govt. propose to construct a over bridge and if not, any arrangement for widening the road ?

SHRI SYED AHMED Ali, (Minister)—Sir, I have already admitted in my reply to (a) that the pedestrians and the school going and office going people face much difficulty because the road is narrow and there is no alternative road for crossing the railway line. So, I have replied in question (b) that the matter will be taken up with the PWD and to examine if it is possible to have another alternative road or to have a foot bridge instead of a over bridge so that the people may not face any difficulty in future.

**Re : Sluice Culvert in Sibsagar Subdivision**

Shri PROMODE CHANDRA GOGOI asked :

°230. Will the Minister, Flood Control be pleased to state—

(a) Whether it is a fact that the Sibsagar Flood Control Division has submitted a proposal to construct a Sluice Culvert to drain out water from Konwarpur Mouza in the Sibsagar Subdivision ?

(b) If so, what is the present position of the proposal ?

Shri LAKSHYA NATH DOLEY (Minister, Flood Control) replied :

230. (a)—Yes.

(b)—This is under examination.

SHRI PROMODE GOGOI—Mr. Deputy Speaker, Sir, may I know from the Minister whether Govt. will consider to take up the scheme in the near future, probably in the next budget ?

SHRI LAKSHYA NATH DOLEY, (Minister)—Yes Sir, Govt. is rather seriously considering it.

**Re ; Digboi Town Committee**

SHRI CHANDRA BAHADUR CHETRI asked :

°231. Will the Minister, Municipal Administration be pleased to state—

(a) Whether it is a fact that some serious allegations were made against the Digboi Town Committee and its Chairman by the public ?

(b) If so, whether any enquiry was made and if so, what steps have been taken so far in the matter.

SHRI SYED AHMED ALI (Minister, Municipal Administration) replied :

231. (a)—Yes, some allegations were received.

(b)—Yes, but the inquiry reveals that the allegations are not so serious that warrents action against the Chairman under the Assam Municipal Act, 1956.

SHRI CHANDRA BAHADUR CHETRI—Sir, then what steps have been taken ?

SHRI SYED AHMED ALI (Minister)—Stringent measures are not justified; even then, Sir we are examining the reports submitted by the S. D. O. and the D. C. on receipt of the allegations. So far as I remember next election of that town committee will be held some times in the month of June next. Now if we take any action, the procedure is so lengthy that it may take a year, so instead of taking such action by round about and lengthy procedure it would be advisable to allow the election to be held in June so that the office bearers against whom people have brought allegations may not be elected.

SHRI CHANDRA BAHADUR CHETRI—Whether there is any proposal to include adjacent areas in in the town committee and if so, when?

SHRI SYED AHMED ALI, (Minister)—Sir, I could not find time to cleckup the record because this question does not relate to inclusion of adjoining areas.

SHRI CHANDRA BAHADUR CHETRI— Will the Minister examine this?

SHRI SYED AHMED ALI, (Minister)—If I find any record I will examine.

SHRI MANABENDRA SARMA—May I know what are the allegations given by the public.

SHRI SYED AHMED ALI, (Minister)—Sir, in Short I may state the allegations -- 1. The chairman does not call monthly meeting rregularly ; 2. Without approval of the commissioner the town committee collected Re. 1/- for replacement of old and issue of new family identity cards. ; 3. Chairman closed one public road arbitrarily due to his personal interest causing great inconvenience to the public ; 4. Chairman abused his power by withdrawing money from Bank beyond his power ; 5. Chairman and Vice Chairman do not attend office regularly and also avail leave without sanction of the town commitee. And there are other minor allegations also.

শ্ৰীলক্ষ্মীকান্ত শইকীয়া : মন্ত্ৰী মহোদয়ে যি খিনি জনাইছে এইটো এটা ডাঙৰ অপৰাধ। ইমান অপৰাধত অপৰাধী মানুহ কেইজন পৌৰসভাত কেনেকৈ থাকিব পাৰে? তেওঁলোকৰ বিৰুদ্ধে ততকালেই ব্যৱস্থা লোৱাৰ কথা চৰকাৰে নাভাৱেনে?

শ্ৰীচৈয়দ আহম্মদ আলি (মন্ত্ৰী) একচন লব পাৰো। একচন লব লাগিলে বহুদিন লাগিব। পৰবৰ্তী ইলেকচন জুন মাহত হব। ইলেকচন পাতি দিলে একচন নললেও হয়।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া ঃ যদি বিৰুদ্ধে একচন লোৱা নহয় তেনেহলে তেওঁ অহা নিৰ্বাচনত নিৰ্বাচিত হব পাৰে। তেওঁলোকক শাস্তি বিহিলে অহা নিৰ্বাচনত উঠিব নোৱাৰিব পাৰে। গতিকে তেনেকুৱা ব্যৱস্থা চৰকাৰে লবনে?

শ্ৰীচৈয়দ আহম্মদ আলি (মন্ত্ৰী):— একচন নোলোৱাকৈ কেনেকৈ আতৰাব পাৰি এই বিষয়ে সংশ্লিষ্ট এম, এল, এৰ লগত কথা হৈছিলো তেওঁ যাতে ইলেকচনত আহিব নোৱাৰে

তাৰ পৰামৰ্শ দিছিল। তেওঁ মতামত দিলে একচন লব পাৰে। যদি ইলেকচন নাপাতো জুনত টাৰ্ম শেষ হলে বিনিওৱেল নকৰি এজন অফিচাৰ বহুৱাই ৰাখিব পাৰি।

শ্ৰীতুলাল চন্দ্ৰ খাউণ্ড :— মন্ত্ৰী মহোদয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছে যে জুন মাহত নিৰ্বাচন হব আৰু নিৰ্বাচন হলে এই কেইজন মানুহ নিৰ্বাচিত নহব। এই মানুহকেইজন নিৰ্বাচিত নহব বুলি কি ভিত্তিত গেৰাণ্টি দিলে? মন্ত্ৰী মহোদয়ে নিজে ইলেকচন কেম্পেইন কৰিব নেকি?

শ্ৰীচৈয়দ আহমদ আলি (মন্ত্ৰী) :— যিখিনি ৰাইজে অভিযোগ দিছে তেওঁলোক কনচাচ গতিকে তেওঁলোকে সমৰ্থন নকৰিব বুলি ধৰি লোৱা হৈছে।

শ্ৰীগুনেন্দ্ৰ নাথ পণ্ডিত :— চেয়াৰমেন ভাইচ চেয়াৰমেন দুজনৰ নাম দুটা কি?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী) :— চেয়াৰমেন জন হ'ল শ্ৰীঅমৃত গগৈ আৰু ভাইচ চেয়াৰমেন শ্ৰীবি কে চক্ৰৱৰ্ত্তী।

শ্ৰীবদন চন্দ্ৰ তালুদাৰ :— মন্ত্ৰী মহোদয়ে কৈছে যে তেওঁলোকৰ বিৰুদ্ধে অভিযোগ আছে গতিকে নিৰ্বাচন পাতিলে তেওঁলোক আহিব নোৱাৰে। কিন্তু যিবিলাক অভিযোগ দিয়া হৈছে সেই সম্পৰ্কে অনুসন্ধান কৰা হৈছে নে নাই? যি দুজনৰ নাম ওলাইছে আৰু তেওঁলোকৰ বিৰুদ্ধে যি অভিযোগ আহিছে সেই বিলাক সঁচা হয় নে নহয় এই বিষয়ে অনুসন্ধান কৰা হৈছে নে নাই। যদি হৈছে আৰু অভিযোগ যদি সচা তেনেহলে তেওঁলোকৰ বিৰুদ্ধে একচন লোৱা নাই কিয়?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী) :— একচন লোৱা নহব এই কথা কোৱা নাই। নিৰ্বাচনৰ কথা তেখেতে কৈছিল। তেওঁ-লোকৰ বিৰুদ্ধে ডি চি, এচ ডি ওই যি ৰিপোৰ্ট দিছে তাক পৰীক্ষা কৰি আছো। মিচএপ্ৰোপ্ৰিয়েচন তেনেকোনো নাই কিন্তু

নাথাকিলে অইন কিবা যদিও থাকে সেইবিলাক পৰীক্ষা কৰি থকা হৈছে।

শ্ৰীআতাউৰ ৰহমান :— পৌৰসভাৰ সভাপতি উপসভাপতি নিয়মমতে বিষয়া বুলি ধৰা হয় নে নহয়? যদি নহয় তেনেহলে তেওঁলোক নিয়মিতভাৱে অফিচ এটেণ্ড নকৰাটো অপৰাধ হয় নে নহয় এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী :— ঠিক চৰকাৰী বিষয়া নহয় কিন্তু অফিছ বিয়েৰাৰ হিচাবে আইনত আছে। গতিকে নিয়মীয়াকৈ অফিছ এটেণ্ড নকৰিলে পাব্লিকে চাফাৰ কৰে। গতিকে ব্যৱস্থা লব পাৰি।

শ্ৰীৰাজেন ফুকন :— মন্ত্ৰী মহোদয়ে কৈছে যে অভিযোগ আহিছে। সেই অভিযোগ সম্পৰ্কে সম্পূৰ্ণ তদন্ত হ'ল নে নাই আৰু তদন্ত ৰিপোৰ্ট কিবা আছে নেকি?

শ্ৰীচৈয়দ আহমদ আলী (মন্ত্ৰী) :— সেইটো মই কলোৱে। ডি চি, এচ ডি ওই ৰিপোৰ্ট দিছে আৰু সেই ৰিপোৰ্ট পৰীক্ষা কৰি থকা হৈছে আৰু প্ৰয়োজন হলে ইয়াৰ পৰা অফিচাৰ পঠাই তদন্ত কৰা হব।

### বিঃ কৃষি প্ৰণালী আধুনিকৰণৰ ব্যৱস্থা

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

*২৩৩। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত কৃষি প্ৰণালীক বৈজ্ঞানিক পদ্ধতিৰে আধুনিকৰণ কৰাৰ কি কি ব্যৱস্থা হাতত লৈছে?

(খ) এই ব্যৱস্থা অনুসৰি অসমত উৎপাদন বৃদ্ধি হৈছেনে নাই আৰু

যদি হৈছে, কিমান হৈছে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

২৩৩। (ক)—অসমৰ কৃষি প্ৰণালীক বৈজ্ঞানিক পদ্ধতিৰে আধুনিকৰণৰ বাবে তলত দিয়া ব্যৱস্থাবোৰ হাতত লোৱা হৈছে—

১। উচ্চ উৎপাদনক্ষম ধান আৰু ঘেঁহু খেতিৰ প্ৰদৰ্শন, প্ৰশিক্ষণ আৰু প্ৰসাৰ।

২। আধুনিক পদ্ধতিৰে জলসিঞ্চনৰ ব্যৱস্থা হোৱা ঠাইবোৰত 'পেকেজ' আঁচনিত খেতি কৰা।

৩। খেতি চক্ৰ (Crop Rotation) পৰিবৰ্ত্তনৰ ব্যৱস্থা।

৪। আন আন শস্যবোৰৰ বাবে উন্নত জাতৰ বীজ ব্যৱহাৰৰ ব্যৱস্থা।

৫। ৰাসায়নিক সাৰৰ ব্যৱহাৰৰ ব্যৱস্থা।

৬। উচ্চ উৎপাদনক্ষম শস্যৰ বেলিকা নানা ধৰণৰ ৰোগ আৰু কীট-পতংগ নাশক ঔষধৰ ব্যৱহাৰৰ ব্যৱস্থা।

৭। অন্যান্য ব্যৱস্থাৰ ভিতৰত মাটি পৰীক্ষাগাৰ স্থাপন কৰি বিভিন্ন মাটি পৰীক্ষা কৰাৰ ব্যৱস্থা।

৮। ইয়াৰ উপৰিও আধুনিক ধৰণে খেতিৰ মাটি চহাবলৈ যন্ত্ৰ-পাতি ব্যৱহাৰৰ ব্যৱস্থা লোৱা হৈছে।

(খ)—ওপৰোক্ত ব্যৱস্থাবোৰ লোৱাৰ ফলত অসমত উৎপাদন বৃদ্ধি হৈছে। ইয়াৰে তালিকা এখন সদনৰ মেজত ৰখা হল।

শ্ৰীলক্ষ্মীকান্ত শইকীয়াঃ— মাননীয় মন্ত্ৰী মহোদয়ে যি কেইটা বিষয়ৰ কথা কলে তাৰ ভিতৰত খেতিৰ পদ্ধতি উন্নতি কৰিবৰ কাৰণে আধুনিক যন্ত্ৰপাতিৰ কথা উল্লেখ কৰিছে। মই জানিব বিচাৰিছো এই আহিলা-পাতি কি ধৰণে দিয়া হয় তাৰ কাৰণে টকা পইচা লোৱা হয় নেকি? যদি লোৱা হয় কি হাড়ত লোৱা হয়?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী):— আমাৰ বিভিন্ন আহিলা-পাতি

এনেকৈ দিয়া হয়—যেনে চিদগ্ৰাণ্ট ডাক বিলাকে দিয়ে, কীটনাশক ঔষধ আধাদামত দিয়া হয়, ট্ৰেক্টৰ বুলডজাৰ ভাবাৰ নিৰিখত আৰু চাবচিদিও দিয়া হয়।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— মই নিৰ্দিষ্টভাবে জানিব বিছাৰিছো যিবিলাক যন্ত্ৰপাতি দিয়া হয় সেইবিলাকৰ বাবে কি হাড়ত ভাৰা লয় ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) :—ভাৰা লোৱা হয় কিন্তু কি হাড়ত লোৱা হয় এই গোটেই খবৰখিনি মোৰ হাতত নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— মাননীয় সদস্যৰ প্ৰশ্নোত্তৰত ভাবাৰ হাড় মন্ত্ৰী মহোদয়ৰ হাতত নাই বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰো নেকি যোৱা বছৰতকৈ এই বছৰ চৰকাৰে ভাৰাৰ হাড় বৃদ্ধি কৰিছে নেকি ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) :—টেক্টৰৰ বৃদ্ধি হোৱা নাই। কৃষিৰ সজুলীবিলাকৰ ভাৰা বৃদ্ধি হোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :—মাননীয় মন্ত্ৰী মহোদয়ে বুল ড্ৰজাৰৰ কথা কৈছে অসমত কিমানখন বুল ড্ৰজাৰ আছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) :—বিভিন্ন ঠাইত আছে। সংখ্যাটো মোৰ হাতত নাই।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— কিমান ট্ৰেক্টৰ বৰ্ত্তমান ব্যৱহাৰ হৈছে মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) :— ট্ৰেক্টৰৰ সংখ্যাটোও মোৰ হাতত নাই কিন্তু বিভিন্ন ঠাইত ৰখা হৈছে।

শ্ৰীদুলাল চন্দ্ৰ খাউণ্ড :— এটা কথা মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো মন্ত্ৰী মহোদয়ে সদায়ে এটা উত্তৰ দিয়ে যে সংখ্যাটো তেখেতৰ

হাতত নাই। গতিকে কি সংখ্যা কেইটা তেখেতৰ হাতত আছে মন্ত্ৰী মহোদয়ে জনাব নে যাতে আমি সেই হিচাবে প্ৰশ্ন সুধিব পাৰো ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) —দৰ্কাৰ হলে দিব পৰা যাব।

শ্ৰী আতাউৰ ৰহমান :— পাৱাৰ তিলাৰ আদি কিনাৰ বাবে খেতিয়কক কিস্তি হিচাবে সাহায্য কৰাৰ কিবা পদ্ধতি আছে নেকি ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) :— আছে।

শ্ৰীমতী ৰেৱতী দাস :—মন্ত্ৰী মহোদয়ে জনাইছে যে মাটি পৰীক্ষা কৰাৰো ব্যৱস্থা আছে কিন্তু মই জানিব বিছাৰিছো মাটি পৰীক্ষা কৰা ৰিপোৰ্ট কিমান বছৰৰ মূৰত দিয়া হয় ? যিবিলাক সা-সজুলিৰ কথা কৈছে আমি জনাত যিবিলাক পাৱাৰ পাম্প আছে সেইবিলাক ব্যৱহাৰ হোৱা নাই এই কথা সচা নেকি ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) ঃ— মাটি পৰীক্ষা কৰা হয় তাৰ কাৰণে মোবাইল লেবৰেটৰী আৰু স্থায়ী লেবৰেটৰীও আছে আৰু তেওঁ-লোকে লগে লগে পৰীক্ষা কৰি দিয়ে। পাৱাৰ পাম্পৰ যিটো কথা কৈছে সেইটো কৃষি বিভাগৰ নহয় জলসিঞ্চন বিভাগৰহে।

শ্ৰীজালালুদ্দিন আহমেদ:— ১৯৭৬-৭৭ চনত কিমান দিজেল পাম্পিং-চেট কিনা হৈছে আৰু মহকুমা বা জিলা পৰ্য্যায়ত দিয়া হৈছে আৰু কোন কোম্পানীৰ পৰা কিনা হৈছিল ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী) :— এইটো জলসিঞ্চন বিভাগৰ কথা, ইয়াৰ পৰা উত্তৰ দিয়া টান হব।

শ্ৰীকন্দৰ্প দাস :—মন্ত্ৰী মহোদয়ে আধুনিক সা-সঁজুলিৰে খেতি কৰাৰ কথা কৈছে, মই জানিব বিছাৰিছো যোৱা বছৰত গোটেই অসমত পেকেজ প্ৰগ্ৰেমত কিমান মাটিত খেতি কৰা হ'ল ?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী)- ঃ যোৱা বছৰ ৫ হাজাৰ হেক্টৰ মাটিত ঘেহু

খেতি কৰা হৈছিল। শালি খেতিৰ কাৰণেও পেকেজ কৰা হৈছিল কিন্তু সেই সংখ্যাটো ঠিক মই কব নোৱাৰিম। কিন্তু যেহুৰটো মোৰ মনত আছে।

শ্ৰীআতাউৰ ৰহমানঃ—বিভিন্ন পথাৰৰ পৰা মাটিৰ চেম্পল আনি লেবৰটৰিত পৰীক্ষা কৰি ৰি দি অ বা গ্ৰামসেৱকৰ জৰিয়তে এই বিলাকৰ ফলাফল জনাই দিয়াৰ ব্যৱস্থা আছেনে?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ— তেওঁলোকক সদায় নিয়মাৱলী দিয়াৰ পৰা নিৰ্দ্দেশ দিয়া হয় আৰু কেনেকৈ কৰিলে লাভৱান হয় এই বিষয়ে কোৱা হয়।

শ্ৰীজালালুদ্দিন আহমেদঃ— ডিজেল পাম্প চেটৰ কথা কোৱাত তেখেতে কলে যে ইৰিগেচনৰ মন্ত্ৰীয়ে উত্তৰ দিব। কিন্তু ইৰিগেচন মন্ত্ৰী কোন?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ— ইৰিগেচনৰ প্ৰশ্ন কৰিলে জবাব দিব।

শ্ৰীলক্ষী কান্ত শইকীয়াঃ— আধুনিকৰণৰ কাৰণে কৃষকক যি ৮ প্ৰকাৰে সহায় কৰা হয় তাৰ ভিতৰত কোন কেইটা বিনামুলীয়া ভাবে কৰা হয় আৰু কোন কেইটাত পইচা লোৱা হয়?

শ্ৰীমহমদ ওমৰুদ্দিন (মন্ত্ৰী)ঃ— এক্সটেনচন চাৰভিচ বিলাকত বিভিন্ন ৰকমে সহায় কৰা হয়। আৰু পাৱাৰ টিলাৰ আদিৰ কাৰণে চাবচিদি দিয়া হয়। কিন্তু এতিয়া সেই চাবচিদি বিলাক কমাই দিয়া হৈছে আৰু এতিয়া একেবাৰেই উঠাই দিয়া হৈছে।

শ্ৰীলক্ষী কান্ত শইকীয়াঃ— মই জানিব বিচাৰিছো যে (ক) প্ৰশ্নোত্তৰত যি ৮ টা ব্যৱস্থা লৈছে আধুনিকৰণেৰে খেতিয়কক সহায় কৰিবৰ কাৰণে তাৰ ভিতৰত কোন বিলাকৰ কাৰণে পইচা লোৱা হয় আৰু কোন বিলাকৰ কাৰণে পইচা লোৱা নহয়।

শ্ৰীমহম্মদ ওমৰুদ্দিন আলী :—ইয়াৰ উত্তৰটো প্ৰশ্নতে আছে। কিছু-মান এক্সটেনচন চাৰভিচ আছে। তাত যন্ত্ৰ পাতিও আছে। আৰু সেই বিলাক মিহলি হৈ আছে।

শ্ৰীলক্ষী কান্ত শইকীয়া :—এই ৮ টাৰ ভিতৰত কেইটা বিনামূলীয়াকৈ দিয়া হয় অৰু কিমানৰ কাৰণে পইচা লোৱা হয় সেইটো মই স্পষ্টকৈ জানিব বিচাৰিছো ?

শ্ৰীমহম্মদ ওমৰুদ্দিন আলী (মন্ত্ৰী) :—এতিয়া উচ্চ উৎপাদনক্ষম বিতৰণ কৰা হৈছে আৰু তাৰ কাৰণে চাবচিদি দিয়া হৈছে। যেহুৰ ক্ষেত্ৰত আমি যোৱা বছৰো দিছিলো আৰু এই বছৰো দিছো। এই দৰে প্ৰত্যেক কথা-তেই চাৰভিচ আৰু মেটেৰিয়েল যোগান ধৰা হৈছে। এই কথা বিলাক মিহলি হৈ আছে।

### বিঃ চৰকাৰী চাকৰীয়ালৰ বিৰুদ্ধে তদন্তৰ গোচৰ

শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :

২৩৫। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম চৰকাৰৰ বিভিন্ন বিভাগৰ বিষয়া আৰু কৰ্মচাৰীৰ বিৰুদ্ধে তদন্ত কৰিবলৈ দিয়া কিমান গোচৰ পুলিচৰ হাতত এতিয়া পৰি আছে ?

(খ) যদি পৰি আছে, এই গোচৰবোৰ তদন্ত নোহোৱাকৈ ইমান দিন থকাৰ কাৰণ কি ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৩৫। (ক) ৫১২ টা গোচৰ বৰ্ত্তমান পুলিচৰ হাতত পৰি আছে।

(খ) কিছুক্ষেত্ৰত যাৱতীয় নথিপত্ৰবোৰ আৰু কিছুক্ষেত্ৰত সাক্ষী সময়মতে নোপোৱাৰ কাৰণে গোচৰবোৰৰ তদন্ত সম্পূৰ্ণ কৰিব পৰা নাই।

শ্ৰীলক্ষীকান্ত শইকীয়া :—এ জিৰ পৰা পোৱা প্ৰতিবেদনৰ পৰা এইটো

কথা ওলাই পৰিছে যে পুলিচ বিভাগত পৰি থকাৰ কাৰণে বহুতো গোচৰ নিস্পত্তি কৰিব পৰা নাই। আৰু সেই গোচৰ বিলাকৰ সম্পৰ্কত বহুতো টকাৰ গোলমাল হৈ আছে। গতিকে এই বিলাক সোনকালে নিস্পত্তি কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—পুলিচ বিভাগৰ পৰা বিভিন্ন বিভাগলৈ লিখা-লিখি কৰি বিভিন্ন নথি পত্ৰ বিচাৰে। তেতিয়া বহুত পলম হয়। নথিপত্ৰ বিলাক সময়মতে আহি নোপোৱাৰ কাৰণেই সময়মতে কেচ বিলাকৰ তদন্ত শেষ কৰিব নোৱাৰি।

শ্ৰীবলভদ্ৰ দাস :— এই ৫১২ টা কেচ এন্টিকৰাপচন বিভাগতে আছেনে? যদি আছে কিমান চনৰে পৰাই আছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) ঃ—এই ৫১২ টা কেচৰ হিচাব এনে ধৰণৰ, এই কেচ বিলাক যোৱা দুই বছৰৰ। চি আই দিত আছে ১৬২ টা ভিজিলেন্স চেলত আছে ২ টা আৰু এন্টিকৰাপচনত আছে ৩৬২ টা।

শ্ৰীবলভদ্ৰ দাস :—এন্টিকৰাপচন বিভাগত চাইনিজ এগ্ৰেচনৰ সময়তে ইনদাষ্ট্ৰি বিভাগৰ এটা কেচ আছিল এইটো দিচপজ হলনে নাই?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—এই বিশেষ কেচটোৰ কথা কব নোৱাৰো। আগৰ যি বিলাক কেচ সেই বিলাকৰ বেচি ভাগেই চৰকাৰী কৰ্মচাৰীৰ ওপৰত কৰা কেচ। আৰু সেই বিলাক বিভাগীয় কৰ্ত্তৃপক্ষৰ ওচৰত আছে। এই বিলাক পুলিচ বিভাগত পৰি থকা নাই, বিভাগতে পৰি আছে।

শ্ৰীবলভদ্ৰ দাস :—৩৪৮ টা কেচ যোৱা দুই বছৰৰ কেচ নে ইয়াত আগৰো কেচ আছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—আমাৰ হাতত থকা কেচ বিলাকৰ আয়ুস নিৰ্ভৰ কৰে সেই বিভাগ বিলাকৰ পৰা পঠোৱা নথিৰ ওপৰত।

শ্ৰীবলভদ্ৰ দাস :— দুই বছৰৰ পৰা কেচ থকা বুলি কৈছে।

কিন্তু এইটো কথা সঁচানেকি যে ১০ বছৰৰ আগৰ বহুত কেচ এতিয়াও এন্টি কৰাপচনত পৰি আছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— এইটো চাম।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— আটাইতকৈ পুৰণি কেচটো কিমান দিনৰ পুৰণি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— যোৱা দুই বছৰৰ কেচ তেখেতৰ হাতত আছে। এই বিলাক যোৱা দুই বছৰৰ ভিতৰত হোৱা কেচ নে পুৰনি কেচো অনা হৈছে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— এই বিলাক যোৱা দুই বছৰত পোৱা কেচ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— আগৰ কেচ নাই?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— নাই।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— ইয়াৰ লগত চি বি আয়ে যিবিলাকৰ তদন্ত চলাই আছে সেই বিলাকৰ পৰিসংখ্যা ধৰা হৈছেনেকি?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— চি বি আই আমাৰ বাহিৰত।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :— এই কেচ বিলাক নিষ্পত্তি কৰিবলৈ যি বিলাক নথিপত্ৰ অনা হয় সেই বিলাক অসমৰ চাৰি সীমাৰ ভিতৰৰ পৰাই অনা হয় নে অসমৰ চাৰি সীমাৰ বাহিৰৰ পৰাও অনা হয়?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— অসমৰ চাৰিসীমাৰ ভিতৰৰ পৰাই অনা হয়।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :— কিয় ইমান সময় লয় জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— মই কৈছো যে চি আই দিত

১৬২ টা কেচৰ আছে। তাৰ ভিতৰত ৮৯ টা কেচ সাক্ষীৰ কাম হোৱা নাই, ৩৩ টা কেচৰ ডকুমেণ্ট পোৱা নাই, ১৩ টা কেচৰ এক্সপাৰ্টৰ অপিনিয়ন পোৱা নাই, ৪ টা কেচৰ এনকুৱাৰীৰ উত্তৰ অহা নাই, ৫ টা কেচৰ অডিট ৰিপৰ্ট অহা নাই, ৯ টা কেচ আই পি চিৰ অন্তৰ্গত, আৰু বাকী ৬ টা কেচৰ চৰকাৰৰ অবদাৰ এতিয়াও পোৱা নাই। এই বিলাক কাৰণে বাকী আছে। তাৰোপৰি ভিজিলেন্স চেলত যি কেইটা কেচ আছে এই কেইটা সম্পূৰ্ণ হৈছে যদিও দুই চাৰিটা খুটি নাটিৰ কাৰণে শেষ কৰিব পৰা নাই। এন্টি কৰাপচনত যোৱা তিনিবছৰত ৪০৭ টা কেচৰ ভিতৰত ১৯ টা কেচ শেষ হৈছে। আৰু ৩৪৮ টা কেচ পেণ্ডিং আছে। ইয়াৰ কাৰণ এই কেচ বিলাক পি ডাব্লিও দি, জলসিঞ্চন কৃষি আৰু পঞ্চায়ত আদি বিভাগৰ সম্পৰ্কীয়। তেওঁলোকে কাগজ পত্ৰ দিব পৰা নাই। আৰু কেইটামান কেচৰ অডিট ৰিপৰ্ট হোৱা নাই। এই বিলাক কাৰণতেই এই কেচ বিলাক নিষ্পত্তি কৰিব পৰা নাই।

শ্ৰীকন্দৰ্প কুমাৰ দাস :— মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে কেচ বিলাক তদন্ত কৰি বিহিত ব্যৱস্থাৰ কাৰণে বিভিন্ন বিভাগলৈ পঠাইছে। বিভিন্ন বিভাগে বিহিত ব্যৱস্থা লোৱাৰ পিছত সেইবিলাক পুলিচ বিভাগলৈ পথায়নে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :— আমাক জনাব নেলাগে। আমাৰ ৰিটো 'পলিটিকেল বিভাগ' আছে তাতহে জনাব লাগে।

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— মাননীয় উপাধক্ষ্য মহোদয়, এই ৫১২ টা কেচৰ লগত জড়িত থকা কিমান জনে ইতিমধ্যে অৱসৰ লব তাৰ পৰিসংখ্যাটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে? দ্বিতীয়তে যি ৰিলাক কেচ শ্বিলঙত আৰম্ভ হৈছিল সেই কেচ বিলাক মেঘালয় চৰকাৰে চলাই আছেনে অসম চৰকাৰে চলাই আছে এই দুয়োটাৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী):— আমাৰ বিষয়া সংক্ৰান্তৰ কেচ বিলাক আমিয়েই চলাই আছো আৰু এক নম্বৰ প্ৰশ্নৰ উত্তৰ এতিয়াই দিয়াটো টান কিয়নো চাই মেলিহে দিব পৰা হব।

শ্ৰীপিটসিং কোৱঁৰ:— এই ৫১২ টা কেচৰ ভিতৰত পুলিচ বিষয়াৰ সংক্ৰান্তত কিমান টা কেচ আছে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী):—পুলিচ বিষয়াৰ সম্পৰ্কতো আছে। ১৭ টা কেচ এন্টিকৰাপচনত আছে। তাৰে ৭ টা কেছ ৭ জন এচ, পি, আৰু কমাণ্ডিং ৰেংকৰ বিষয়াৰ বিৰুদ্ধে, ছুটা কেচ এডিচনেল এচ, পি,ৰ ৰেংকৰ, ৭ টা ডি, এচ, পি, ৰেংকৰ, এটা ফৰেনচিক লেবৰেটৰী'ৰ, এড্‌ভাইজাৰ সংক্ৰান্তত।

শ্ৰীমানবেন্দ্ৰ শৰ্মা:—মন্ত্ৰী মহোদয়ৰ পৰা কোন পৰ্য্যায়ৰ কিমান জন কৰ্ম্মচাৰী আছে সেইটো জানিব পাৰোনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী):—সেইটো মই কৈছোৱেই,—গেজেটেড আৰু নন্‌গেজেটেড ছুয়ো পৰ্য্যায়ৰ কৰ্মচাৰীয়েই আছে। কেচৰ হিচাব আছে কিন্তু অফিচাৰৰ হিচাবটো মোৰ হাতত নাই।

শ্ৰীজালালুদ্দিন আহমেদ:—মাননীয় মন্ত্ৰী মহোদয়ে জনোৱা 'ভিজিলেন্স চেল'ৰ কেচ ছুটা কোন পৰ্য্যায়ত আছে সেইটো জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী):—উপাধ্যক্ষ মহোদয়, সেইটো ৰহলাই কোৱাটো ঠিক নহব।

শ্ৰীপিট সিং কোৱঁৰ:—উপাধ্যক্ষ মহোদয়, উচ্চ কৰ্মচাৰী সকলৰ তদন্ত কোনে কৰে এছ, আইয়ে নে এ, এছ, আইয়ে, সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া মন্ত্ৰী:— উচ্চ বিষয়াৰ তদন্ত উচ্চ বিষয়াৰ দ্বাৰাই কৰোৱা হয়।

শ্ৰীলক্ষীকান্ত শইকীয়া :— মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনৰে হিছাব পৰীক্ষক কমিটিৰ সদস্য হিছাৰে থকা অভিজ্ঞতাৰ ফালৰ পৰা এই উদ্দেশ্য লৈয়েই প্ৰশ্ন কৰিছো যে, বহুতবিলাক কেচ ৰিভাগৰ বিষয়া সকলে পুলিছৰ বিছাৰাধীন হৈ আছে বুলি কয়। কেচ বিলাকৰ হিচাব হিচাব পৰীক্ষক কমিটিৰ হাতত আছে। এই কেচ বিলাকৰ অধিকাংশই আত্মসাতমূলক ধৰণৰ। গতিকে বিশেষ শাখা এটা খুলি সোনকালেই এই কেচ বিলাক নিষ্পত্তি কৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—মননীয় সদস্য শ্ৰীলক্ষীকান্ত শইকীয়াই কোৱা কথাটো সঁচা। মইওঁ তিনি ছাৰি বছৰ এই সংক্ৰান্তত বিভিন্ন প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে এই কথা বিলাকৰ খুটি নাতি চাইছো। সাধাৰণতে কোৱা যায় যে কেচ বিলাক ৰেজিষ্টাৰ হৈ আছে। এই বিলাক ক্ষেত্ৰত সময় মতে নথি-পত্ৰ নোপোৱাৰ কাৰণে কেচ বিলাক দীঘলীয়া হৈ গৈ থাকে। ইয়াৰ কাৰণে কমিশ্বন নহলেও তিনি চাৰি মাহৰ ভিতৰতে এই বিলাকৰ লেঠা মাৰিবলৈ চেষ্টা কৰিম।

## বিঃ মীন প্ৰতিপালক সকলৈ সাহায্য দিয়াৰ আঁচনি

**শ্ৰীলক্ষীকান্ত শইকীয়াই সুধিছে :**

২৩৬। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে –

(ক) অসমৰ মীন প্ৰতিপালক সকলৈ কিবা বাৰ্ষিক সাহায্য দিয়া হয় নেকি আৰু যদি দিয়া হয় কিমানকৈ ?

(খ) এই সাহায্য কি ভিত্তিত দিয়া হয় ?

(গ) ১৯৭৪–৭৫ আৰু ১৯৭৫–৭৬ চনত কিমান টকাৰ অৰ্থ সাহায্য মীন প্ৰতিপালক সকলক দিয়া হৈছে ?

(ঘ) মঙ্গলদৈ মহকুমাত কিমানজন মীন পালকক এই দুই বছৰত অৰ্থ সাহায্য দিয়া হৈছে ?

শ্ৰীউপেন্দ্ৰ দাস ( মীন বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

২৩৬। (ক), (খ)—হয়। অসমৰ মীন প্ৰতিপালক সকলৈ ৰাজ সাহায্য দিয়াৰ কাৰণে এখন আঁচনি আছে। এই ৰাজ সাহায্য নগদ আৰু সামগ্ৰিৰে দিয়া হয়। যি সকল মাছ পালকৰ পুখুৰীৰ পানী ভাগৰ মাফ্ ৬।১ একৰতকৈ কম নহয় তেওঁলোকক প্ৰতি একৰত ১০০০·০০ টকা হিচাবে এই অনুদান দিয়া হয়। কিন্তু মাছ পালক কমিতিৰ ক্ষেত্ৰত এই অনুদান ৩০০০·০০ টকা লৈ দিয়া হয়। ডেৰ ইঞ্চি আকাৰৰ মাছৰ পোনা প্ৰতি একৰত ৩০০০ টা হিচাবে আৰু ডেৰ ইঞ্চিতকৈ ডাঙৰ আকাৰৰ পোনা ২০০০ টা হিচাবে শতকৰা ৫০ ভাগ ৰেহাই দৰত যোগান ধৰা হয়।

(গ) ১৯৭৪-৭৫ চনত ৫৮৪৬,০০ টকাৰ অৰ্থ সাহায্য দিয়া হৈছে ১৯৭৫-৬৬ চনত অনুদান এতিয়াও হোৱা নাই। অনুদানৰ কাৰণে দৰখাস্ত লোৱা হৈছে।

(ঘ) ১৯৭৪-৭৫ চনত মঙ্গলদৈ মহকুমাত সৰ্ব্বমুঠ ৭ জন মীন পালকক অৰ্থ সাহায্য দিয়া হৈছে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে যে পেপাৰত নটিচ দিয়া হয়, মই ১৯৭৫-৭৬ চনৰ কথা সোধা নাই, ১৯৭৪-৭৫ চনত কোন পেপাৰত দিছিল মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী) :—উপাধ্যক্ষ মহোদয়; আমাৰ যিবোৰ লোকেল পেপাৰ সেইবোৰত দিয়া হৈছিল।

শ্ৰীআটাউৰ ৰহমান :—উপাধ্যক্ষ মহোদয়, উপদেষ্টা সমিতিৰ যি সকল সদস্যৰ নাম মন্ত্ৰী মহোদয়ে কলে দেখা গল বিশেষ এক শ্ৰেণীৰ লোকৰ পৰাহে

প্ৰতিনিধিত্ব কৰা হৈছে, অন্যান্য শ্ৰেণীৰ লোকে প্ৰতিনিধিত্ব কৰাৰ অধিকাৰ নাই নেকি ? আৰু আন এটা প্ৰশ্ন হৈছে দৰ্খাস্তৰ কাৰণে আহ্বান কৰা নটিচৰ একোটা কপি সদস্য সকলক দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰেনে কি ?

শ্ৰীউপেন্দ্ৰ দাস :—( মীন মন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, কমিটিখন যে একচেতিয়া হৈছে সেই কথাটো মই স্বীকাৰ কৰিছো। অন্যান্য শ্ৰেণীৰ লোকৰ পৰা প্ৰতিনিধি লোৱাৰ ব্যৱস্থা কৰা হব আৰু দৰ্খাস্ত আহ্বান কৰাৰ কপি একোটা মাননীয় সদস্য সকলক দিবলৈ চেষ্টা কৰা হব।

শ্ৰীকন্দৰ্প কুমাৰ দাস :—উপাধ্যক্ষ মহোদয়, মাছ পালনৰ ক্ষেত্ৰত যি সাহায্য দিয়া হয় সেই টকা মাছ পালনত ব্যৱহাৰ নকৰি নিমখ-তেল কিনি খোৱাৰ কথাটো মই ব্যক্তিগত ভাবে জানো আৰু যিসকল মানুহৰ পুখুৰী নাই তেওঁলোকৰ কোনোবা কোনোবাই খাল থকা বুলি এই সাহায্য গ্ৰহণ কৰি আছে এই বিষয়ে মন্ত্ৰী মহোদয়ে তদন্ত কৰিবনে ?

শ্ৰীউপেন্দ্ৰ দাস :—( মন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, এই সম্পৰ্কত কমিটি কৰি দিয়া হৈছে আৰু সেই মতে বিষয়া সকলে টকা বিতৰণ কৰে। মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে কিবা অভিযোগ পালে ব্যৱস্থা লোৱা হব।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জানে নেকি যে মৎস্যজীৱি সকলক চৰকাৰে যি সুবিধা দিছে সেই সুবিধা গ্ৰহণ কৰাৰ নিমিত্তে গোটেই ৰাজ্য জুৰি এটা চক্ৰৰ সৃষ্টি হৈছে ? যদি জানে তেন্তে প্ৰকৃত মৎস্য জীৱিয়েহে যাতে সেই সুবিধা লব পাৰে তাৰ বাবে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীউপেন্দ্ৰ দাস ( মন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, তেনে চক্ৰ চলা বুলি এতিয়ালৈকে কোনো অভিযোগ আমাৰ অৱগত হোৱা নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—উপাধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে

যে সাহায্য দিয়াৰ কাৰণে বাতৰি কাকতত বিজ্ঞাপন যোগে আবেদন গ্ৰহণ কৰা হয়, কিন্তু মই এতিয়ালৈকে যিমান পেপাৰ পঢ়িছো এনে বিজ্ঞাপন পোৱা নাই (যদি কোনোবা সদস্যই পাইছে মই নাজানো) তথাপি মন্ত্ৰী মহোদয়ক মই এই অনুৰোধ কৰিব পাৰোনেকি যে এই কথাটো জনসাধাৰণক জনাবৰ কাৰণে অকল বাতৰি কাকততেই নহয় মহকুমা পৰিষদ আৰু গাওঁ পঞ্চায়তৰ যোগেদি ৰাইজলৈ এই খবৰ পঠোৱাৰ দিহা কৰিবনে?

শ্ৰীউপেন্দ্ৰ দাস (মন্ত্ৰী):—উপাধ্যক্ষ মহোদয়, সদস্য গৰাকীয়ে যি পৰামৰ্শ আগবঢ়াইছে সেইমতে কাম কৰিবলৈ চেষ্টা কৰিম।

বিঃ অসম কৃষি বিশ্ববিদ্যালয়:

শ্ৰীলক্ষ্মীকান্ত শইকীয়াই সুধিছে:

*২৩৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি বিশ্ববিদ্যালয়ত কি কি বিষয়ত শিক্ষা দান কৰা হৈছে?

(খ) কি কি বিষয়ত স্নাতকোত্তৰ শিক্ষা দান কৰা হৈছে?

(গ) কোনোবা বিষয়ত গবেষণা চলোৱাৰ ব্যৱস্থা কৰা হৈছে নেকি?

(ঘ) এই বিদ্যালয়ৰ সেৱা অসমৰ কৃষি উন্নয়নত কি ধৰণে চৰকাৰে ব্যৱহাৰ কৰিছে বা কৰিবলৈ আঁচনি লৈছে?

শ্ৰীমদম্মদ ওমৰুদ্দিন (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৩৭। (ক) অসম কৃষি বিশ্ববিদ্যালয়ে কৃষি, পশুপালন আৰু গৃহ বিজ্ঞানত শিক্ষা প্ৰদান কৰি আছে। এই বিষয় সমূহৰ সবিশেষ তালিকা

সদনৰ মেজত দাখিল কৰা হৈছে।

(খ) আঠোটা বিষয়ত কৃষি স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে শিক্ষা দিয়া হয়। সাতোটা বিষয়ত পশুপালন স্নাতকোত্তৰ ডিগ্ৰীলৈকে শিক্ষা প্ৰদান কৰা হয়। বিষয় সমূহৰ তালিকা সদনৰ মেজত দাখিল কৰা হয়।

(গ) স্নাতকোত্তৰৰ সকলো বিভাগতে (কৃষি আৰু পশুপালন) গৱেষণাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) এই বিশ্ববিদ্যালয়ৰ পৰা উত্তীৰ্ণ হোৱা স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী ধাৰী ব্যক্তি সকলে অসম চৰকাৰৰ বিভিন্ন সেৱাৰ উপৰিও আন আন ঠাইত (Bank) কাম কৰি দেশৰ সেৱা কৰিছে। বিশ্ববিদ্যালয়ে সময়ে সময়ে Training Workshop, Seminar আদি পাতি কৃষি ও পশুপালনৰ সম্প্ৰসাৰণত সহায় কৰি আছে।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :—উপাধ্যক্ষ মহোদয়, মোৰ (খ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে জনাইছে যে ৰাজ্যখনৰ কৃষি বিষয়ক আলোচনা আদি কৰা হয় আৰু স্নাতক হৈ অহা লোকসকলক চাকৰি আদিত নিয়োগ কৰাত যোগাযোগ ৰখা হয়। মই জানিব বিচাৰিছো যে আমাৰ এই কৃষি প্ৰধান ৰাজ্যখনত কৃষিৰ ক্ষেত্ৰত যিবিলাক অসুবিধা আহি পৰিছে সেইবিলাক দূৰ কৰিবৰ কাৰণে বৈজ্ঞানিকৰ লগত আলোচনা কৰিবলৈ সংযোগ ৰখা আৰু কৃষি বিভাগ আৰু কৃষি বিশ্ববিদ্যালয়ৰ লগত পোনপতীয়া সংযোগ ৰখাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, কৃষি বিশ্ববিদ্যালয়ত গৱেষণাগাৰ আছে আৰু তাৰ লগত আমাৰ বিভাগৰ সম্পৰ্ক আছে। ক' অৰদিনেট ৰিচ'াচ প্ৰগ্ৰেমত বিভিন্ন তথ্যপাতি বিলাক চোৱা হয় আৰু তাৰ ফলা-ফল আমালৈ পঠাই আৰু আমি অফিচাৰৰ জড়িয়তে কৃষক সকলক জনোৱাৰ ব্যৱস্থা কৰো।

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :—উপাধ্যক্ষ মহোদয়, যোৱা চাৰি বছৰত এই কৃষি বিশ্ববিদ্যালয়ৰ পৰা কৃষি সম্পৰ্কে কি কি অৱিহণা পাইছে মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :—চাৰ, বহুত বিষয় আছে, তেখেতে কি বিষয়ৰ কথা সুধিছেবা ?

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :—উপাধ্যক্ষ মহোদয়, মই বিষয় কেইটা কৈ দিছো বাৰু—চাহ সম্পৰ্কে গবেষণা চলোৱা হৈছে নেকি ? আৰু উন্নতজাতৰ কুহিয়াৰ সম্পৰ্কে কিবা গবেষণা চলোৱা হৈছে নে কি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী ) :—চাৰ, কুহিঁয়াৰৰ কাৰণে ভাৰতত এটা ৰিচাৰ্চ কণ্ট্ৰোল আছে আৰু তাৰ পৰা তথ্য-পাতি আৱিষ্কাৰ কৰি আমালৈ পঠাই দিয়ে। চাহ সম্বন্ধে বিশ্ববিদ্যালয়ে এটা ব্যৱস্থা লৈছে।

শ্ৰীআটাউৰ ৰহমান ,—উপাধ্যক্ষ মহোদয়, কৃষি সম্প্ৰাসাৰণ বিয়ৰত কৃষি বিশ্ববিদ্যালয়ে ৰাজ্যৰ বিভিন্ন ঠাইত কৃষি পদ্ধতিৰ পৰিচালনা আঁচনি চলাইছে নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী )—উপাধ্যক্ষ মহোদয়, এই বিষয়ত আৰু বিশেষ আগবাঢ়িব পৰা নাই।

শ্ৰীপ্ৰেম বৰা :—উপাধ্যক্ষ মহোদয়, অসমৰ কৃষি বিশ্ববিদ্যালয়ৰ সৌষ্ঠৱ আৰু শ্ৰীবৃদ্ধি বঢ়াবৰ কাৰণে এই কৃষি বিশ্ববিদ্যালয়ৰ তলত কেইখনমান কৃষি কলেজ বা স্কুল পতাৰ পৰিকল্পনা আছে নেকি ? যদি নাই চৰকাৰে চিন্তা কৰিবনে কি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :—উপাধ্যক্ষ মহোদয়, এতিয়ালৈকে হোৱা নাই আৰু ভৱিষ্যতে কৰিবলৈও টকাৰ প্ৰশ্ন আছে।

মৌলানা আব্দুল জলিল চৌধুৰী :—উপাধ্যক্ষ মহোদয়, আমাদেৰ দেশে বত্সৰে দুইবাৰ কৃষি কৰা একটা চিৰন্তন প্ৰথা এবং একথা সবাই জানে। কিন্তু এই কৃষি ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰিয়ে বত্সৰে ৩।৪ বাৰ কৃষি কৰাৰ জন্য কৃষি গবেষণা কেন্দ্ৰে কোন গবেষনা কৰে উপায় উদ্ভাবন কৰা হচ্ছে কি?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :—চাৰ, এইটো কৃষি বিশ্ববিদ্যালয়ত আছে আৰু কিছুমান ঠাইত কৰিছো যাতে তিনিটা খেতি কৰিব পৰা হয়, কিছুমান ঠাইত আমি কৃতকাৰ্য্য হৈছো।

শ্ৰীজালালুদ্দিন আহম্মেদ :—উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ আন আন কৃষি বিশ্ববিদ্যালয় বিলাকে পুচা, আই-আৰ-৮ আদি নতুন নতুন ধান আবিষ্কাৰ কৰিছে তেনেক্ষেত্ৰত আমাৰ ইয়াত থকা কৃষি বিশ্ববিদ্যালয়ে এতিয়ালৈকে কি কি আবিষ্কাৰ কৰিছে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :—আমাৰ ইয়াতো হাইলিভিং ভেৰাইটি অব পেডি উলিওৱাৰ কাৰণে চেষ্টা কৰি আছে। জাৰকালি সাধাৰণতে ধান নহয়, সেই কাৰণে জাৰকালিও ধান কৰিব পাৰি নেকি সেই বিষয়ে আমাৰ ইয়াতো গৱেষণা চলি আছে।

শ্ৰীগিয়াচুদ্দিন আহমেদ :—আমাৰ কৃষি বিশ্ববিদ্যালয়ৰ পশুৰ এনটমি সম্পৰ্কে কিবা গৱেষণাৰ ব্যৱস্থা আছে নেকি মন্ত্ৰী মহোদয়ে জনাব নে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :—সেইটো চাবজেক্ট দিয়া হৈছে।

শ্ৰীগিয়াচুদ্দিন আহম্মেদ :—মই সুধিছো ইয়াৰ কাৰণে গৱেষণাৰ কিবা ব্যৱস্থা আছে নেকি?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :—চাবজেক্ট থাকিলে গৱেষণাও থাকে?

শ্ৰীগিয়াচুদ্দিন আহম্মেদ :—উপাধ্যক্ষ মহোদয়, এইটো কথা সঁচানেকি

যে এই বিষয়ত পি-এইচ-ডি ডিগ্ৰী থকা অধ্যাপক থকা সত্বেও এই ধৰণৰ গৱেষণাৰ সুবিধা নথকা কাৰণে তেওঁলোকৰ ডিগ্ৰী অৰ্হতা আৰু যোগ্যতা অথলে যাব ধৰিছে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :—সেইটো বেলেগ প্ৰশ্ন।

শ্ৰীকন্দৰ্প কুমাৰ দাস :—মন্ত্ৰী মহোদয়ে জনাইছে যে বহুত চাবজেক্ট আছে সেই বিষয় কেইটা আমাৰ জ্ঞাতাৰ্থে মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) বিষয় বহুত আছে। দীঘলীয়া হোৱা কাৰণে সদনৰ মেজত দাখিল কৰা হৈছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—অসম কৃষি বিশ্ববিদ্যালয়ৰ থকা বিষয় কেইটাৰ ভিতৰত গাৰ্হস্থ্য বিজ্ঞানো ধৰা হৈছে নেকি আৰু যদি হৈছে তেনেহলে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই বিষয়ক শিক্ষা দিয়াৰ পিচত সেই লোক সকলক কি কি কামত লগোৱাৰ কথা চৰকাৰে ভাবিছে?

শ্ৰীমহম্মদ ওমৰুদ্দিন (মন্ত্ৰী) :—তেনেকুৱা কথা এতিয়ালৈকে ভবা নাই। চৰকাৰৰ ফালৰ পৰা ভবা নাই কিন্তু ছাত্ৰ সকলৰ ফালৰ পৰা ভাবিছে।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :—মন্ত্ৰী মহোদয়ে মাননীয় সদস্য শ্ৰীলক্ষ্মীকান্ত শইকীয়া ডাঙৰীয়াৰ প্ৰশ্নৰ উত্তৰত কলে যে তেওঁলোকক শিক্ষা দিয়াৰ পিচত কি কৰিব চৰকাৰে ভবা নাই, যদি সেই মানুহ খিনি আমাৰ প্ৰদেশৰ কোনো কামত দৰকাৰ নহয় তেনেহলে সেই বিষয়টো ইমান টকা খৰচ কৰি কিয় শিকোৱাৰ ব্যৱস্থা কৰিছে এইটো মন্ত্ৰী ডাঙৰীয়াই জনাবনে?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :—এই কেইটা বিষয় আছে মই কৈ দিছো ইংৰাজীত—

এই বিষয় পঢ়াৰ পিচত কোনো অনুষ্ঠানত কাম কৰিব পাৰে বা প্ৰফেচাৰ হব পাৰিব বা নিজেই উপকৃত হব পাৰিব।

SHRI ATUL CHANDRA SAIKIA :—Sir, In Assam sugarcane is available only for 3½ months, i. e., from December to March or so but in other places sugarcane is available for 6/7 months in a year and the sugar contents is much more then what is in Assam. Therefore, may I know from the Minister what contribution the Uuiversity has made towards the development of those varities of sugarcane in Assam ?

SHRI MD. UMARUDDIN, ( Minister )— Sir, the sucrose content and the yield depends considerably upon also climatic condition. In some places farmer grow two crops. Normally the sugarcan crop taken 10 months to mature. We are doing it and the sucrose content is less in Assam because of the high content of soil moisture and other factors soil. There is a Research Centre, I I think, in Hyderabad, which is carrying on research on sugarcane and what ever result they are getting out of this research, we are trying to introducing it in our fields.

বিঃ ছিপাঝাৰ থানাৰ অন্তৰ্ভুক্ত গাওঁ

শ্ৰীলক্ষীকান্ত শইকীয়া সুধিছে :

*২৩৮। মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে

(ক) মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত ছিপাঝাৰ থানাত কি কি গাওঁ অন্তৰ্ভুক্ত কৰা হৈছে?

(খ) এই থানাৰ নিজা কাৰ্য্যালয় আছেনে আৰু যদি নাই, কেতিয়া নিজা কাৰ্য্যালয় নিৰ্মাণ কৰিব ?

(গ) এই থানাৰ তলত কেইখন পুলিচ চকী আছে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (গৃহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৩৮। (ক) প্ৰস্তাৱিত ছিপাঝাৰ থানাত অন্তৰ্ভুক্ত কৰিব খোজা গাওঁ বিলাকৰ তালিকা এখন সদনৰ মেজত থোৱা হল।

(খ) প্ৰস্তাৱিত থানাৰ কাৰ্য্যালয় নিৰ্মাণৰ বাবে মাটি অধিগ্ৰহণৰ প্ৰস্তাৱ হাতত লোৱা হৈছে, আৱশ্যকীয় মাটি অধিগ্ৰহণৰ পিচতহে থানাৰ কাৰ্য্যালয় আৰু অন্যান্য ঘৰ-দুৱাৰ নিৰ্ম্মাণৰ কাম হাতত লোৱা হব।

(গ) প্ৰস্তাৱিত থানাৰ পৰিসীমাৰ ভিতৰত এতিয়ালৈ কোনো পুলিচ চকি নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—মন্ত্ৰী মহোদয়ে প্ৰস্তাৱিত থানাৰ পৰিসীমাৰ ভিতৰত এতিয়ালৈ পুলিচ চকী নাই বুলি কৈছে আৰু কিখিনি কৰিব খুজিছে সদনৰ মেজত থোৱা বুলিও কৈছে গতিকে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ডিপীলা আৰু বনমাজা এই মৌজাৰ এলেকাত যিটো পুলিচ চকী আছে সেইটো বুঢ়া পুলিচ চকী। সেইটো ভাল কৰা সম্পৰ্কে চৰকাৰে কিবা আচনি লৈছে নে ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—এতিয়া আমি যদিও থানা হিচাবে প্ৰস্তাৱ কৰিছো এতিয়ালৈকে আউটপোষ্ট হিচাবে চলি আছে। কিয়নো থানা হিচাবত কৰা প্ৰস্তাৱৰ গেজেট নোটিফিকেচন, অবজেকচন আদি এতিয়াও শেষ হোৱা নাই।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—কেতিয়া শেষ হব ?

শ্ৰীহিতেশ্বৰ শইকীয়া (মন্ত্ৰী) :—হৈ আছে।

শ্ৰীলক্ষ্মীকান্ত শইকীয়া :—কামৰূপ জিলাৰ সীমাত ছিপাঝাৰ আৰু ডুমুনীচকী এই গুৰুত্ব পূৰ্ণ ঠাইৰ মাজত এটা পুলিচ চকী স্থাপন কৰাৰ কথা চৰকাৰে চিন্তা কৰিবনে?

শ্ৰীহিতেশ্বৰ শইকীয়া মন্ত্ৰী :—মাননীয় সদস্য গৰাকীৰ সেইটো কথা চাম। আন এটা কথা হল যে মাননীয় সদস্য শ্ৰীশইকীয়া ডাঙৰীয়াৰ ২৩৫ নং প্ৰশ্নৰ উত্তৰত পুলিচ কেচৰ সংখ্যা সোতৰটা বুলি কৈছিলো কিন্তু সেইটো সোতৰটা নহয় একচলিশটা হে হব।

## RE-NEW BRANCHES OF NATIONALISED BANKS

SHRI GIASUDDIN AHMED asked, 232 will the Minister, Finance be pleased to State—

How many branches of Nationalised Banks have been set up in Assam?

SHRI BIJOY CHANDRA SARMA (Minister of State, Finance) replied :

232. After Nationalisation of Banks 146 new branches have been opened in Assam till 31 January, 1976.

SHRI GIASUDDIN AHMED ;—Sir, may I know the Subdivision wise break up?

SHRI BIJOY CH. SARMA (Minister of State) Sir;

Sub-division wise break-up is not there, district-wise break up is there. In Kamrup district it is 51, in Goalpara district it is 25, in Darrang district it is 18, in Dibrugarh district it is 27, in Cachar district it is 18, in Nowgong district it is 14, in Lakhimpur district it is 4, in Sibsagar district it is 19, all total it is 176

SHRI GIASUDDIN AHMED :— Sir, on what basis the site for these banks were selected ?

SHRI BIJAY CHANDRA SARMA (Minister of State) – Sir, I beg to submit that banking is a Central subject and so I cannot give all the information; I shall, however, give the information that is available with me. Sir, some lead bank are there, i.e., out of 14 nationalised banks, in Assam, 11 banks are operating now. These lead banks are entrusted with the work of conducting survey in the districts. The main criterion for selecting a site for a branch is 1) the economic or commercial viability, 2) communication, 3) population. On the basis of these conditions they survey the area and they bring some proposals. Then the people and the Government also give their view points and say that branches should be opened in such and such places. Sir, it is a fact that from various places of Assam demands for opening branches are coming up. As soon as such demands come up to the Goverment

or as soon as the Govt. feel that there should be some branches in some paricular place or places, the Government relay the demand to the Bank authorities and after consultation the banks or the branches of banks are established.

SHRI GIASUDDIN AHMED :—Sir, it is true that the people and the Govt. are vitally concerned with the establishment of the banks. So, whether the Goverment has made any thorough survey as to the reqirement of banks in different places ? Whether they have made any such survey and whether Banking authorities have been instructed accordingly ?

SHRI BIJOY CHANDRA SARMA :—( Minister of State ) Sir, survey in there and the Goverment has taken up different schemes, for example, the Cooperative schemes, some small scall industries schemes, these are there. As soon as these schemes are put up and it is considered that these would cater to the needs of the people. To get the schemes materialised the Goverment discuss the matter with the Bank authorities and put their demand, the Bank authorities who try their best to get clearance from the Reserve Bank and after that they try to open branches as demanded by the people or as advised by the Goverment- It is a process that is coming up in that way.

Mr. Deputy speaker :—The question hour is over Now item No. 2

## UNSTARRED

## QUESTION AND ANSWERS

Date : 5th March, 1976

---

**Re : Test Relief Work at Karrimganj and Silchar P. W. D. Divisions**

SHRI ABDUL MUQTADIR CHOUDHURY asked :

2. Will the Minister, P. W. D. be pleased to State—

The total amount of money sanctioned for Test Relief purpose in 1973-75, 1975-76 at Karimganj P.W.D Division and ( Amount to be mentioned year-wise and Subdivision—wise ).

SHRI MAHAMMAD IDRIS ( Minister, P. W. D. ) replied :

2. Karrrimganj Division :—
( Karrimganj Civil Subdivision )

(a) Total amount of money sanctioned for Test

Relief Work for Karimganj Division during 1974-75 Rs. 200,000.

(b) Do—1975-76 so far Rs. Nil.

2. Cachar Division ;—

( Silchar Civil Subdivision ).

(a) Total amount of money sanctioned for Test Relief Work for Cachar Division during 1974-75— Rs. 2,00,000.

(b) Do—1975-76 so far Rs. Nil.

VOTING ON DEMANDS FOR GRANTS

SHRI MD. UMARUDDIN ( Minister ) :—Sir, shall I move all the grants at a time ?

SRI PROMODE CHANDRA GOGOI—Mr. Deputy Speaker, sir, I think the Hon'ble Minister for Irrigation may move all the grants of Irrigation at a time.

SHRI MD. UMARUDDIN (Minister) :—Mr. Deputy Speker, Sir, I beg to move grants No. 70,83,98,99 and 106.

MR. DEPUTY Speaker :—Grants No. 70,85,98,99 and 106 are moved. Now, Cut- motions to be moved.

শ্ৰীসোনেশ্বৰ বৰা:—মাননীয় উপাধ্যক্ষ মহোদয়, বাজেট দাবীৰ ২য় খণ্ডৰ ৭৯৮–৭৮৭ পৃষ্ঠাত "৩০৬ ক্ষুদ্ৰ জলসিঞ্চন" শিতানৰ ৭০ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১৭৮৮৮৫০০ টকা এটকালৈ হ্ৰাস কৰা হওক অৰ্থাত সমুদায় মঞ্জুৰীৰ ১৭৮৮৮৫০০ টকা এটকালৈ হ্ৰাস কৰা হওক।
গ্ৰাণ্ট নং ৮৩

বাজেট দাবীৰ ২য় খণ্ডৰ ৯৬৬-৯৭০ পৃষ্ঠাৰ "৩৩৩ জলসিঞ্চন নৌ-পৰিবহন, খাল আৰু বান নিয়ন্ত্ৰণ আচনিৰ (৮৮)৮৮ (1) জলসিঞ্চন" শিতানৰ ৮৩ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ২৯৮৪৬০০ টকা এটকালৈ হ্ৰাস কৰা হওক। অৰ্থাত সমুদায় মঞ্জুৰীৰ ২৯৮৪৬০০ এটকালৈ হ্ৰাস কৰা হওক।
গ্ৰাণ্ট নং ৯৮

বাজেট দাবীৰ ২য় খণ্ডৰ ১১১৬-১১১৯ "৫০৬ জলসিঞ্চন ভূমি সংৰক্ষন আৰু আঞ্চলিক উন্নয়নৰ বাবে মূল ধন ব্যয়" শিতানৰ ৯৮ নং মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৫৫২00000 টকা এটকালৈ হ্ৰাস কৰা হওক অৰ্থাত সমুদায় মঞ্জুৰীৰ ৫৫২00000 টকা এটকালৈ হ্ৰাস কৰা হওক।

SHRI MD. UMARUDDIN ( Minister ) :— Sir, how can I reply all the grants at a time? There fore, I beg to Submit that I may be allowed to reply on each demand separately. What I mean to say is that I may be allowed to reply on each demand separately.

SHRI GIASUDDIN AHMED :—Mr. Deputy Speaker, Sir, We have got some Cut-motion. I, therefore, beg to move that the total provision of Rs. 1,78,88,500, under Grant No. 70, Major Head

Sub Minor Irrigation", at pages 779-767 of the Budget, be reduced by Rs. 100,i, e, the amount of the whole grant of Rs. 1,78,88,500, do stand reduced by Rs. 100:

Mr. Deputy Speaker :—Cut-motions are moved.

শ্ৰীসোনেশ্বৰ বৰা :—মাননীয় উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগত মই যি কেইটা কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰিছো এই কেইটা বিষয়ত দেখা গৈছে যে জলসিঞ্চন বিভাগে অসমৰ জন সাধাৰণক বিশেষকৈ কৃষিৰ ক্ষেত্ৰত দিবলগীয়া সুবিধা খিনি এক ন্যায়িক ব্যৱস্থাৰে সুবিধা দিব নোৱাৰাতো ৰাজ্যখনৰ কাৰণে বিশেষকৈ জন সাধাৰণৰ কাৰণে এক অমঙ্গলৰ কাৰণ হৈছে। তদুপৰি এই বিভাগটোত যি খিনি কাম কৰা হৈছে এই কাম বি কৃত বহুত খিনি দূৰ্নীতি হোৱা আমি সকলোৱেই দেখি আহিছো। মা এই দূৰ্নীতিৰ কাৰণেই বহুত খিনি হবলগীয়া কাম সময়মতে হৈ উঠা নাই আৰু যি বিলাক কাম দেখাত হৈছে এই কাম বিলাকৰ মাজত খেতিয়ক ৰাইজে যি খিনি উপকাৰ পাব লাগিছিল; এই আঁচনি বিলাকৰ মাধ্যমত যিবিলাক ঠাইত আচনিৰ নিয়ম মতে ফচল হব লাগিছিল সেই হিচাবে উৎপাদিত ফচল মানুহে কৰিব পৰা নাই। মই যি কেইটা আচনিৰ কথা উল্লেখ কৰিব খুজিছো গোলাঘাটৰ ফলঙনি নামৰ যি ঠাই আছে তাত জলসিঞ্চনৰ এটা আচনি আছে। যি খন নৈত খাল খন্দি যি বিলাক ৰাইজৰ কাৰণে পানী যোগান দিয়াৰ ব্যৱস্থাৰ আঁচনি কাগজে পত্ৰে কৰা হৈছিল ইনজিনীয়াৰ সকলৰ অবহেলা আৰু ৰাজনৈতিক নেতা সকলৰ খেলিমেলিৰ কাৰণে যোৱা ১৫ বছৰৰ ভিতৰতো প্ৰকৃততে কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাই। তাৰ ফলত বহুতো টকা খৰচ হল যদিও এই অঞ্চলৰ ৰাইজে নিয়মিত ভাবে পানী পোৱাটো দূৰৰ কথা বৰষুণ দিলেও আবশ্যকীয় পানী পাব নোৱাৰে। আৰু তাৰ কাৰণেই ৰাইজ

দিনৰ পিচত দিন ধৰি দৰিদ্ৰ হৈ যাব লাগিছে। সিদিনা মই চাপানলা আৰু আমচৈৰ কথা উল্লেখ কৰিছিলো। যদিও পানী গোটাৰ পৰা এই ধৰণৰ ব্যৱস্থা আছে তথাপি আচলতে এই পানী সময়মতে ৰিজাৰ্ভ কৰি লব পৰা নাই গতিকে ৰাইজক খেতিত সময়মতে বা আৱশ্যক মতে পানী দিব পৰা হোৱা নাই।

এই পানী গোট খোৱাই কেনেকৈ বোৱাব লাগে এই বিষয়ে ভাল ধৰণৰ জ্ঞান নথকাৰ কাৰণে বহু সময়ত অসুবিধা হৈছে। ৰাকচাঙত যিটো প্ৰোজেক্ট কৰা হৈছে এই বিষয়ে আমি আগৰ বিধান সভাতো আলোচনা কৰিছিলো। নামতো যেনে থিক তেনেধৰণে চাং পতাৰ নিচিনা প্ৰায় ৪৫ ফুট ওপৰেদি পানী বগোৱাব খোজা হৈছিল পিচে পানী নাযায়। পাহাৰৰ মাজেদি ফুটা কৰি পানী বৈ যোৱাব কাৰণে চেষ্টা কৰা হব বুলি কৈছে কিন্তু এই ক্ষেত্ৰত বহুত টকা খৰচ কৰিছে যদিও তাৰ দ্বাৰা পানী যোগান ধৰিব পৰা নাই। এই প্ৰজেক্টটোৰ পৰা মানুহে বহুত আশা কৰিছিল। মই আশা নকৰো আৰু দেশখনৰ অনেক লোকেই আশা নকৰে যে আমাৰ আচঁনি বিলাক কামত আহিব। কাৰণ আজি যি ধৰণে পানী যোগান ধৰাৰ কথা চিন্তা কৰা হৈছে কেতিয়া ক'ত কি হয় কাৰ কি দৰকাৰ পৰিছে। কেমিকেল সাৰ প্ৰয়োগ কৰিবলৈ মাটিৰ গুণাগুণ পৰীক্ষা কৰাতো দৰকাৰ। সেইদৰে জলসিঞ্চনৰ ক্ষেত্ৰটো অসমৰ মাটিৰ গুণাগুণৰ পৰীক্ষা কৰাটো আৱশ্যকতা আছে বুলি মই অনুভৱ কৰো। কিয়নো অসমৰ সকলো মাটি এনেকুৱা নহয় যে তাত দিনে ৰাতিয়ে কেৱল পানী দি থাকিলেই খেতি ভাল হব আৰু একেবাৰে নিদিলে ভাল হব, কিছুমান এনে ধৰণৰ মাটি আছে যে যত ১২ মাহে পানী থাকিলে সি খেতিৰ অনুপযোগী হৈ যাব পাৰে আৰু কোনো ঠাই এনে আছে যে বেচিকৈ পানী নিদিলেও হয়। কিছুমান মাটি আছে খৰালি যদি পানী থাকে অৰ্থাত খৰালি দুগুকায় তেতিয়া হলে মাটি খিনিৰ ৰোৰা অতি

হৈ যাব। সেই বিলাক পথাৰত গৰু ম'হ নামিবকে নোৱাৰা হব।

গতিকে এনেধৰণৰ বিভিন্ন ধৰণৰ মাটি আমাৰ ৰাজ্যখনত আছে। কামৰূপ বা নগাওঁৰ লগত আমাৰ গোলাঘাট বা ডিব্ৰুগড়ৰ মাটি একে নহব। সেইকাৰণেই এই বিভিন্ন ঠাইত থকা আমাৰ পথাৰ বিলাকৰ মাটিৰ গুণ ভাল ধৰণে পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ তাত ঘিলাধাৰী আঠগাওঁ এলেকাত এটা নলা খন্দাৰ কথা হৈছে। তাত খেতিয়কে তেনে ভয় খাইছে যে কাৰো মাটিত পানী থাকিলে পথাৰ খন বেয়াহৈ যাবনেকি ইত্যাদি। এনে জলসিঞ্চন কৰোতে মাটি অধিগ্ৰহণ কৰাৰ নিয়মটোও চাবলগীয়া হৈছে। নলা খান্দিবলৈ যাওঁতে যদি কাৰোবাৰ মাটি লবলগীয়া হয় তেতিয়া হলে হয়তো যি জন মানুহৰ মাত্ৰ ১ বিঘা মাটি আছিল সেই মাটি তেওঁ এৰিবলগীয়া হোৱাৰ কাৰণে তেওঁৰ হয়তো ১ কথা মাটিও নাথাকিব পাৰে, আৰু সেই অলপীয়া মাটী থকা মানুহজনে চিন্তা কৰিব পাৰে যে তেওঁৰ অলপীয়া মাটি খিনি দি কিয় সৰহীয়া মাটি থকা মানুহৰ পথাৰত পানী যোগাব? ইত্যাদি বহু ধৰণৰ কথা এনে বিলাক বিষয়ত আহি পৰে আৰু সেই কাৰণে প্ৰজেক্টবোৰ সম্পূৰ্ণ কৰাৰ আগতে কাৰ কি আপত্তি আছিল সেই বিলাক জানিবলৈ বিচাৰোতে এনে অসুবিধাবোৰ জনা যায়। উদাহৰণ স্বৰূপে আমাৰ তাত কৰিব খোজা প্ৰজেক্টটোৰ সম্পৰ্কতে এই বিলাক কথা আহিছে। বহুতে ভাবিছে যে নালাগে তেওঁলোকক সেই ধৰণৰ কৃত্ৰিম পানী, ভগবানে দিয়া বৰষুণেই তেওঁলোকক জুৰিব। গতিকে এনেৰণৰ বহুতো মতভেদ হব পাৰে। বিধান সভাত এই বিষয়ে ২।১ বাৰ আলোচনা কৰা হৈছিল আৰু তেতিয়া পৰামৰ্শ আগবঢ়াইছিলো যে একেটা পদ্ধতিৰে সকলো ঠাইতে পানী যোগান ধৰাতো সম্ভৱ নহয়। য'ত পানীৰ বিজাৰ্ভাৰ কৰি পথাৰত পানী যোগান ধৰিব পাৰি তাত তেনে ধৰণেৰে কৰিব লাগে। পাঞ্জাব বিহাৰ, উত্তৰ প্ৰদেশৰ দৰে অসমত পানী যোগান আঁচনি লোৱাত অসুবিধা হব। সেই বিলাক ঠাইত পানী একগোট কৰি ৰাখি পথাৰলৈ পানী

যোগান ধৰাতো সহজ কিন্তু আমাৰ ইয়াত তেনেধৰণৰ নহয়। অসমৰ মাটি যথেষ্ট পৰিমানৰ খলা বমা আৰু বেলেগ বেলেগ গুণৰ। আজি নগাওঁ বা কামৰূপৰ মাটি গোৱালপাৰা বা দৰং জিলাৰ লগত নিমিলিব পাৰে গতিকে মাটিৰ গুণাগুণ পৰীক্ষা কৰাতো আৱশ্যক হৈছে। আমাৰ যি সকল আজি কালি ওঁঠ চেপিলে গাখীৰ ওলোৱা ডেকা ইঞ্জিনিয়াৰ ওলাইছে তেওঁলোকে এই মাটিৰ গুণাগুণৰ বিষয়ে কি বুজিব, অথচ আমাৰ যি সকল বুঢ়াই আজি এশ চাৰিকুৰি বছৰ জীয়াই আছে, বছৰ বছৰ সেই পথাৰত খেতি কৰি আহিছে, তেখেত সকলৰ এই বিষয়ে যথেষ্ট অভিজ্ঞতা আছে, আজি সেই সকল বুঢ়াৰ খবৰ লোৱাৰ আৱশ্যক আছে বুলি মই ভাবো। আৰু সেই ধৰণে আগবাঢ়িলেহে জলসিঞ্চনৰ ক্ষেত্ৰত কৃষি কাৰ্য্যত আগবাঢ়িবলৈ বেচি সুবিধা হলহেতেন আৰু তাৰ দ্বাৰাই প্ৰকৃত সহায় হব। গতিকে আজি কৃষিৰ ক্ষেত্ৰত যি দৰে যোৰহাটৰ কৃষি বিশ্ববিদ্যালয়ত গবেষনাৰ সুবিধা আছে আৰু বিভিন্ন বীজ ইত্যাদিৰ গবেষণা কৰা হয় ঠিক সেইদৰে অসমৰ মাটি বিলাকৰ গুণাগুণ পৰীক্ষা কৰিবলৈ বিভিন্ন অঞ্চলত তেনেধৰণৰ বিস্তাৰিত গৱেষণা আৰম্ভ কৰিব লাগে। আজি মাটি উন্নয়ন নকৰাকৈ জলসিঞ্চনৰ ব্যৱস্থা কৰিবলৈ যোৱাৰ কাৰণে এনে বিলাক সমস্যা আহিছে। তাৰ লগতে আৰু এটা দৰকাৰী কথা হল যি সকলৰ মাটিৰ ওপৰেদি নলা যাব তেওঁলোকৰ নিশ্চয় বহুত মাটি যাব কিন্তু যাৰ মাটি নিচেই তাকৰ তেওঁৰো মাটি যাবলগীয়া হলে তেওঁৰ ১ কঠাও মাটি নাথাকিব, গতিকে তেনে ক্ষেত্ৰত আপত্তি অহাটো স্বাভাৱিক, সেইবুলি আকৌ নলা খন্দাটো বন্ধ কৰিব নোৱাৰি, সেই কাৰণে এই দৰে যি সকলৰ মাটি অধিগ্ৰহণ কৰা হব আৰু যাৰ অলপীয়া মাটি আছে তেওঁলোকক ক্ষতিপূৰণৰ নামত ধনেৰে ক্ষতি পূৰণ দিয়াৰ পৰিবৰ্ত্তে আৱশ্যকীয় মাটিৰে দিয়াৰ ব্যৱস্থা কৰিব লাগে, টকা দিলেতো লাভ নহব, কিয়নো টকাতো তেওঁলোকে খৰচ কৰি পেলাব। গতিকে তেওঁলোকক চলিব পৰাকৈ মাটি দিবলাগে। তেতিয়াহে এই দিশত এটা সমন্বয় বজাই ৰাখিব পৰা যাব। আকৌ দেখ

যায় মিকিৰ পাহাৰত জলসিঞ্চনৰ কাৰণে আৰু তাত কেনে ধৰণৰ খেতি কৰিব ইত্যাদি লৈ কি আঁচনি কৰিব সেই বিষয়ে কি প্ৰস্তাৱ লৈছে কব নোৱাৰো কিন্তু, মিকিৰ পাহাৰলৈ পানী যোগানৰ কাৰণে নিয়া বান্ধ ধনশিৰি আৰু দৈয়াং নদীত উটি গল বা নদীৰ বালি বলুকাত লাগি আছে তাৰ লেখ নাই। বৰপথাৰৰ ওচৰত দৈয়াং নদীত তেনেধৰণৰ বান্ধ ভাঙি চিঙি পৰি আছে অথচ এই বান্ধ বিলাক কিনোতে যথেষ্ট টকা পইচা খৰচ কৰিব লগীয়া হৈছিল। গতিকে প্ৰশ্ন হ'ল এইবিলাক কি কাৰণে অযথা কিনা হৈছিল। নিশ্চয় এই বিলাক ঘটনাৰ লগত কিছুমান অভিসন্ধি মূলক দূৰ্নীতিমূলক আৰু প্ৰৱঞ্চনামূলক উদ্দেশ্য জড়িত আছে। মই চৰকাৰৰ ভিতৰটো নেজানো, মই দেখা কথাটোহে উত্থাপন কৰিছোঁ, গতিকে সেই ঠাই বিলাকত কেনে ভাবে পানী যোগান ধৰিব পাৰি সেই কথাটোহে ভাল দৰে চাব লাগে।

এই বিলাক যে উটি যায়, ভাঙি যায় ভাহি যায় ইয়াৰ মূলত হয়তো কিবা দূৰ্নীতি আছে। সেই কথাটো আমি আজি জনাৰ উপায় নাই। আজি আমাৰ চৰকাৰে ঠায়ে ঠায়ে তেনে লোকচানৰ সম্মুখীন কিয় হব লগা হৈছে? পানীৰ ক্ষেত্ৰত প্ৰকৃতিয়ে অসমক অন্যান্য ৰাজ্যতকৈ বহুগুণে সুবিধা দিছে। এনেধৰণৰ প্ৰকৃতি অৱদান অন্যান্য কোনো ৰাজ্যত পোৱা নাই। অথচ অসমৰ মানুহে খেতি কৰিবলৈ কিয় পানী নাপায় এইটো এটা ভাবিব-লগীয়া কথা। অসমত আজি খাল খান্দি নলী নিৰ্মাণ কৰি পানী যোগান ধৰাটোৱে কথা নহয়। এইবোৰো অবিদিত নহয় যে অসমত বিদ্যুত শক্তিৰ উৎপাদনৰ পৰিমানো নিচেই কম হৈ আছে। অসমত আমি আৰু এটা কথা দেখিছো যিটো হয়তো অন্যান্য ৰাজ্যত বিৰল। সেইটো হৈছে অসমত যদিও প্ৰকৃতিৰ অৱদান স্বৰূপ পানী প্ৰচুৰ তথাপি অসমত বিদ্যুতৰ পৰিবৰ্তে ডিজেল ইঞ্জিনেৰে পানী যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰি। ব্ৰহ্মপুত্ৰ আৰু তাৰ উপনদী বিলাক অবিচ্ছেদ্য ভাৱে বৈ আছে। আৰু এই পানী খিনি ভালকৈ নিয়ন্ত্ৰণ কৰি আমি কামত খটাবলৈ অসমৰ্থ হোৱা কাৰণে আজি আমি পানী যোগানৰ ভাল ব্যৱস্থা কৰিব পৰা নাই।

মহাবাহু ব্ৰহ্মপুত্ৰক যাক আমাৰ শত্ৰু বুলি ভাবিছো সি কিন্তু আমাৰ শত্ৰু নহয়। তাক আমি আশীৰ্ব্বাদ হিচাবেহে লব লাগে। তথ্যপাতি মতে এতিয়ালৈকে অসমৰ মাত্ৰ শতকৰা ২ ভাগ পানীহে অসমৰ খেতিত লাগিছে আৰু বাকী ৯৮ ভাগ পানী এনেয়ে যায়। অন্যান্য ৰাজ্যৰ জলসিঞ্চনৰ কাৰণে উংকৃত পানীৰ অভাৱ পৰিলক্ষিত হয় আৰু এখন নদীৰ পানীকেই কেইবাখনো ৰাজ্যই ভাগ কৰি ব্যৱহাৰ কৰাৰ কাৰণে সেই ৰাজ্য সমূহৰ মূখ্য মন্ত্ৰী সকলে পানীৰ সমবিতৰণৰ ব্যৱস্থাৰ কাৰণে আলাপ আলোচনা চলাই থাকে। অথচ আমাৰ ইয়াত প্ৰকৃতিয়ে দিয়া এই সম্পদ খিনি নদী-নলা আদি খন্দাৰ ব্যৱস্থা কৰিও প্ৰকৃত কামত খটাব পৰা নাই? যিয়ে হওক এই নদী সমূহত প্ৰৱাহিত পানী খিনিৰ কিছু অংশ নদী নলা আদি খান্দি খেতি পথাৰত পানী যোগাব পাৰে তাৰ উপৰিও বাকী খিনি ডিজেল আদিৰে পৰিচালিত ইঞ্জিনৰ জৰিয়তে শ শ, হাজাৰ হাজাৰ মানুহক পানীৰ যোগান দিব পাৰি। এই কথা খিনি আনে অধ্যয়ন কৰিছে নে নাই কব নোৱাৰো। কিন্তু মই অধ্যয়ন কৰিছো আৰু মই ভালকৈয়ে উপলব্ধি কৰো যে আমাৰ এই যে ৪৫০ মাইল দীঘলৰ ব্ৰহ্মপুত্ৰ নদী তাৰ আধা মাইল অন্তৰে অন্তৰে একোটাকৈ ডিজেল ইঞ্জিন বহালে আমাৰ পানীৰ অভাৱ পূৰণ হব আৰু সেই হিচাবে যদি সহযোগী উপনৈ বিলাকতো একে ধৰণৰ ব্যৱস্থা কৰিব পৰা যায় তাৰ দ্বাৰা আমাৰ পানী যোগানৰ কাম অকল যে সমাধা হব সেয়ে নহয় এই নদী সমূহৰ পৰা উদ্ভব হোৱা বানপানী গড়া খহনীয়া আদিৰ পৰাও আমি নিষ্কৃতি পাম।

মহোদয়, অসম খন এখন নদী মাতৃকা দেশ। আজি খৰাং আৰু বানপানী বৰ্তমান চৰকাৰৰ অদূৰদৰ্শীতাৰ কাৰণেই হৈছে বুলি অসমীয়া ৰাইজে ভাবে। আমি এই নদী বিলাকক যদি ঠিক মতে নিয়ন্ত্ৰণ কৰিব পাৰো। আমাৰ অসমৰ উৰ্বৰা মাটিত শস্য শ্যামলা কৰি অসমক শস্যাৰে নদন-বদন কৰিব পাৰো। এই মৰ্মে অসমৰ যে অকল নদী মাতৃকাই

সহায় কৰিছে তেনে নহয়। এইটো কাৰো অবিদিত নহয় যে পৃথিবীৰ ভিতৰতে ইতিপূৰ্বে অসমৰ ভিতৰতে থকা চেৰাপুঞ্জিত আটাইতকৈ বৰষুণ বেছি হয়। অকল চেৰাপুঞ্জিতে নহয় ভাৰতৰ অন্যান্য ৰাজ্যৰ তুলনাত অসমতেই বৰষুণ বেছিকৈ হয়। তেনেস্থলত অসমীয়া খেতিয়কে খেতিৰ কাৰণে পানী নোপোৱাটো চৰকাৰৰ অদূৰদৰ্শিতাৰ কাৰণ বুলি প্ৰতিপন্ন হৈছে। এই বিধান সভাতে বছৰি বছৰি একে ধৰণৰ উক্তি বিলাকে কৈ অহা হৈছে। আজি অসমৰ এই নিৰিহ মানুহ বিলাকৰ কাৰণে নানা ধৰণৰ আঁচনি কৰিছে অথচ আমাৰ এই নদন-বদন যিটো প্ৰকৃতিয়ে মুক্ত হস্তে আমাক দিছে। হৰিণাৰ মাংসই বৈৰীৰ নিচিনাকৈ আজিলৈকে আমি এই প্ৰকৃতিৰ অৱদানৰ সুবিধাত জীয়াই থকাৰ কাৰণে বেধিকৰো অন্য পানী যোগানৰ চিন্তা আমাৰ ৰাজ্যত হোৱা নাই। কিন্তু, সেই অৱস্থা সকলো সময়তে নেথাকে। গতিকে সময় পাওঁতেই ভৱিষ্যতৰ অসুবিধাত নপৰাকৈ জলসিঞ্চনৰ ব্যৱস্থা সোনকালে কৰক। এই বিলাক নকৰি কেৱল সভা সমিতিয়ে শুৱলা শুৱলা বক্তৃতা দি শ্ৰুতিমধুৰ কথাৰে মৌৰৰষি থাকিলেই নহয়। এতিয়া 'জোৰ পুৰি হাত পোৱাৰ' দৰেই অৱস্থা হ'ল। বৰ্তমান যি ভাবে পানী যোগান দিয়াৰ ব্যৱস্থা কৰিছে সেই ব্যৱস্থাৰে অৰ্থাত নদী-নলা আদি খান্দি আমাৰ ঠাইৰ কথাকেই কও গোলাঘাট, দেৰগাওঁ, মিচামৰা মৌজা আদি কিছুমান মৌজাত এতিয়াও পানী যোগান ধৰিব পৰা নাই। আৰু এনেকৈ বাহৰ নলীৰে পানী যোগান ধৰাত কেতিয়াও কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে। উত্তৰ প্ৰদেশ, বিহাৰ আদি ঠাইত ১০, ১২, ফুট খান্দিলেই পানী পোৱা যায়। কিন্তু মোৰ নিজৰ দুৱাৰমুখতেই দুশ ফুটলৈ খান্দি পানী পাব পৰা নাই। খিলাধাৰী মৌজাৰ এঠাইত দুহাজাৰ ফুটলৈ খান্দি দীপ টিউবৱেল বহুৱাবলৈ চেষ্টা কৰিও পানী পোৱা নগল। ধনশ্ৰী, দৈয়াং, কাকদোঙা, আদি যিবিলাক নৈত পানী শুকাই নেযায় সেই নদী বিলাকত ভেটা মাৰি ওচৰৰ গাওঁ বিলাকত পানী দিয়াৰ ব্যৱস্থা কৰিব পাৰে। কিন্তু

আজিলৈকে সেই কাম বিলাকলৈ চৰকাৰৰ কোনো মনকান হোৱা নাই। এইবাৰ এই শিতানত চৰকাৰে বাজেটত বহুতো টকাই ধৰিছে। কোটি কোটি টকা দেখিছো কিন্তু সেই টকা নতুন আঁচনিৰ কাৰণেই নহয়। কিছুমান পুৰণি চৰকাৰী ঋণ পৰিশোধ কৰা, মোকদ্দমাৰ ক্ষতি পূৰণ দিয়া আদিৰ কাৰণেই নানা শিতানত ধৰা হৈছে। অৱশ্যে এইটো মই ঠিক কৈ কব নোৱাৰো। তথাপি বাজেটত ক্ষতি পূৰণ হিচাবে দিয়াৰ কথা উল্লেখ আছে। আজি জনসাধাৰণে অকল প্ৰকৃতিৰ অৱদানৰ ওপৰতে নিৰ্ভৰ কৰি কৃষি কাৰ্য্য চলাই আছে আৰু প্ৰকৃতপক্ষে জলসিঞ্চনৰ কাম এতিয়ালৈকে হোৱা নাই। উপযুক্ত জলসিঞ্চনৰ কাম কৰি নদন-বদন শস্য উৎপাদনত সহায় কৰা, বানপানী নিয়ন্ত্ৰণ কৰা, আৰু বিদ্যুত শক্তিৰ উৎপাদন কৰা এই সকলো বিলাক ৰাইজৰ ওপৰত নিৰ্ভৰ নকৰে, এইটো হল নেতৃত্বৰ কৰ্তব্য। ইয়াৰ কাৰণে উপযুক্ত নেতৃত্বৰ দৰকাৰ। ইয়াৰ কাৰণে কাৰ্য্য-কৰী ব্যৱস্থা কৰিব লাগিব। সেইটো অকল মৌ-ৰৰসা কথাৰেই নহয়। ইয়াকে কৈ মই মোৰ কৰ্তন প্ৰস্তাৱটো উত্থাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীকবীৰ চন্দ্ৰ ৰায় প্ৰধানী:—উপাধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগটো মই কেচুৱা বিভাগ বুলিয়েই কৈছো। অলপ দিনৰ পৰা এই বিভাগত জোৰ দিছে। এই কেচুৱা বিভাগ এটাৰ পৰা বৰ বেচি আশা কৰিব নোৱাৰি। কুৰি দফীয়া আঁচনিত গাওঁ বিলাকত পানী যোগান ধৰিব লাগে। আজি সকলো প্ৰকাৰৰ সহায় আগবঢ়াব লাগে। আজি গাওঁ বিলাকত কিমান পানী যোগান ধৰা হৈছে আৰু কিমান ধৰা হোৱা নাই তাৰ অনু-ধাৱন কৰিব লাগে। এই ক্ষেত্ৰত টকা পইচা ঠিকেই খৰচ হৈছে আৰু বহুত যন্ত্ৰপাতি ও কিনেছে। কিন্তু কাৰ্য্য ক্ষেত্ৰত মহকুমা হিচাবেই হওক বা গাওঁ হিচাবেই হওক কাম হোৱা নাই। আজি এই জলসিঞ্চনৰ কাৰণে ১৩/১৪ কোটি টকাৰ দাবী তুলিছে। এই ক্ষেত্ৰত মই সাৱধান কৰি দিছো বৃটিচ আমোলৰ পুৰণা যন্ত্ৰৰে বা বিভাগৰ দ্বাৰা কাম কৰিলে টকা বিলাক অথলে যাব। বিভাগৰ কাৰ্য্য দক্ষতাৰ প্ৰতি দৃষ্টি

ৰাখিবৰ কাৰণে মই অনুৰোধ কৰিছো। খেতিয়ক সকলে যাতে পানী পায় তাৰ ব্যৱস্থা কৰিব বুলি আশা ৰাখিলো। কৃষিৰ পৰিবেশটো পৰিবৰ্ত্তন কৰিবৰ কাৰণে চেষ্টা কৰিছে। আজি দেখা যায় খৰালি ধান কটাৰ পিচত বিৰাট পথাৰ বিলাক শুকান হৈ এনেই পৰি থাকে। এই সময় খিনিত খেতি কৰাৰ কোনো ব্যৱস্থা নাই। এই দৰে হলে আমাৰ কৃষি উৎপাদন বঢ়োৱাৰ যিটো লক্ষ্য তাত উপনীত কেনেকৈ হম? মাঘৰ পৰা বহাগ মাহলৈ এই সময় চোৱাৰ ভিতৰত পানী যোগান দি আমি অলপ ফচল উৎপাদন কৰিব পাৰো। আমাৰ ৰবিশস্য যিটো কৰিছে এইটোৱে গোটেই খিনি ক'ভাৰ কৰিব নোৱাৰে। এই সময় চোৱাত পানীৰ যোগান ধৰিলে বহুত উৎপাদন বৃদ্ধি কৰিব পাৰিম। এই ক্ষেত্ৰত মহকুমা বিলাকত ইনভেষ্টিগেচন ডিভিজন খুলিছে। টকা পইচা খৰচ কৰা হৈছে কিন্তু কাম একো হোৱা নাই। অসমত পানী নাই বুলি কলে মিচা কথা কোৱা হব। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ বিলাক পানীৰে উপচি আছে। পানী যোগানৰ ব্যৱস্থাটো সদায় স্থায়ী ব্যৱস্থা হব লাগে। কাৰণ খেতিয়কক সদায় পানী লাগিবই। এতিয়া বাহৰ বেন্ধ্ দি পানী যোগান ধৰাৰ অস্থায়ী ব্যৱস্থা কৰা হৈছে। ইয়াৰ দ্বাৰা কাম নহব বৰঞ্চ খেতিয়ক সকল সৰ্ব্বশ্ৰান্ত হব। মাটিৰ পাইপ কৰি মাটিৰ তলেদি কোনোবা টেংক আদি কৰি পানী নিব পাৰি। যিহেতুকে মাটিৰ তলেদি পাইপেৰে পেট্ৰোল আদি নিব পৰা হৈছে, এইটো কৰাত কোনো দিগদাৰ নহয়। মোৰ বোধেৰে খৰচো কম হব। মাটিৰ পাইপ কৰিলে এটা উদ্যোগ গঢ়ি উঠিব আৰু লগে লগে বহু মানুহৰ কৰ্ম্ম সংস্থানৰ উপায় হব। তাৰ পিছত ফল্ ইৰিগেচন কৰি আমাৰ পথাৰ বিলাক নষ্ট কৰা হৈছে। উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আদি প্ৰদেশৰ দৰে বহল পথাৰ বিলাকত ফল্ ইৰিগেচন কৰিব পাৰে। আমাৰ ইয়াত সেইটো সুবিধাজনক নহয়। গতিকে সেইটো বাদ দিব লাগে। তাৰ পৰিবৰ্ত্তে মাটিৰ পাইপেৰে পানী যোগান ধৰক, ই ইকনমিক হব। এনে ব্যৱস্থা অন্য ৰাজ্যত কৰিছে। আমি যদি পানী যোগান নধৰো

তেন্তে খেতিৰ উৎপাদন কেতিয়াও বাঢ়িব নোৱাৰে। কুৰি দফীয়া আচনি মতে প্ৰত্যেক গাওঁত প্ৰত্যেক বিভাগৰ পৰা অকণমান সুবিধা পাব লাগে। যোগাযোগ বিভাগৰ পৰা ৰাস্তা পদুলি আদি হৰ লাগে। ডাক তাৰ বিভাগৰ পৰা ডাক তাৰ আদিৰ ব্যৱস্থা হব লাগে। কুৰি দফীয়া আচনিত যিটো কোনো বিভাগেই গাওঁ বিলাক ঢ়ুকি পোৱা নাই, খবৰ কাগজ গাৱঁলৈ নাযায় আৰু এতিয়া যোৱাটোও সম্ভৱ নহয়। হয়তো এশ বছৰৰ পিচত যাব। কুৰি দফীয়া আচনিত খবৰ কাগজ, ডাক তাৰ আদি নগলেও অন্তত পানী যোগানৰ ব্যৱস্থা দিব লাগিব। কুৰি দফীয়া আচনিত কিঞ্চিত নহয়, বিস্তৃত কাম হব বুলি আশা ৰাখিছো।

সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যেন কুৰি-দফীয়া আচনিৰ সন্দৰ্ভত অন্ততঃ প্ৰতিখন গাওঁ পঞ্চায়তে যাতে পানী পায় তাৰ কাৰণে অসমত ৬৬৩ খন গাওঁ পঞ্চায়ত আছে। এই পঞ্চা-য়ত বিলাকে পানী পাইছেনে নাই সেই বিতং হিচাব বিছাৰিলে বিভাগৰ পৰা পাব। অন্য নোৱাৰিলেও অন্ততঃ টিউবৱেল দুখীয়া খেতি-য়ক সকলে পাইছেনে নাই চিন্তা কৰিবলগীয়া কথা। আনহাতে যি-বিলাক যন্ত্ৰপাতি আনিছে সেইবিলাক কামত লগাব লাগে; আনি এনেই পেলাই ৰখাৰ কোনো যুক্তি নাই। এইবিলাক যন্ত্ৰপাতি কামত প্ৰয়োগ কৰিব নোৱাৰিলে অকল আয়োজনৰ দ্বাৰা খেতিয়ক সন্তোষিত হব নোৱাৰে। আমাৰ মন্ত্ৰী মহোদয়ৰ নিজৰো অভিজ্ঞতা আছে কিন্তু কথাত আমি সন্তোষ নাপাও, কামত আমাক সন্তোষ দিব লাগিব। অন্ততঃ প্ৰত্যেকখন গাওঁ পঞ্চায়তে যাতে পানী পায় তাৰ ব্যৱস্থা অতি সোণকালে কৰক। এইবাৰ ভাল বতৰ হৈছে কাৰণে শালি খেতি ভাল হৈছে কিন্তু অহাবাৰ যে বানপানী নহব তাৰ কি ঠিক আছে? নতুবা দ্ৰুটও হব পাৰে। গতিকে কুৰিদফীয়া আচনিৰ সুযোগ লৈ আগতীয়াকৈ পানীযোগানৰ ব্যৱস্থা কৰিবলৈ কৈ মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিলো।

SHRI GIASUDDIN AHMED :— Mr. Deputy Speaker, Sir, in support of the cut motion moved by us to Grant No. 70 I would like to make a few observations. It is true at the outset I must appreciate the efforts made by this department for providing irrigation facilities to the agriculturists and in fact I am convinced that the Govt has taken initiative to infuse new vigour in this aspect. But then as I understand the activities of this irrigation department are being conducted in a very piece-meal way. So; at the outset I would like to suggest that there should be a thorough survey of the whole State regarding irrigation potentialities. The topographical condition of the agricultural lands, the possibilities of irrigation of different types, the nature of the crops that would be grown in a particular area and the period of the year during which irrigation will have to be provided, all these aspects and the nature of irrigation whether it will be a big irrigation project or minor irrigation project or a tubewell will serve the purpose or lift irrigation or a deep tubewell will be required. There are various methods of irrigation—what method will be applicable in what place, this should be studied thoroughly. Now what is happening is like other departments, this irrigation department has also been subjected to political pressure. Sir, irrigation is a subject, agriculture is a subject, like many other subject which should be freed from political pressure.

Politics and irrigation cannot go together. Irrigation should be with purely from technical point of view and action should be taken accordingly. Sir, our bitter experience is this that during the last few decades the whole irrigation system was subjected to politics and as a result there are certain regions in the State which have been completely deprive of irrigation facilities. I can cite the example of Dhubri subdivision. So far as I remember till recently there was not a single minor irrigation project in Dhubri subdivision whereas in other districts there plenty these projects were taken up without any feasibility technical study. Simply because of political pressure certain projects were taken up,; that is not good, and I would like to say that this Govt. would do a great service to the people if thay can free irrigation from political pressure and make a certain objective analysis of the factors, requisite factors for irrigation, the nature of the soil, the nature of irrigation, nature of the crops, all these aspects regarding irrigation should be studied thoroughly and plans should be drawn up accordingly. That is why the administrative set up of this irrigation department should be further decentralised. It is a good sign that certain subdivision have been opened in different parts of the State. I think that is not enough; it should be further decentralised, one subdivision should consist of not more than a development block area. A well equiped

sub-division with small area will be in a better position and study the topographical Condition the nature of the soil at and plans for irrigation projects can be undertaken accordingly. In minor irrigation one thing I would like to point out. It appears that the expenditure for administrative purposes is rather to high as compared to the actual works to be done under this department. Here, direction and administration expenditure is Rs. 11, 07,500, then salaries Rs. 9,75,00, wages Rs. 1500/-, travel expenses Rs. 35,000/-, office expenses Rs. 50,000/-, advertising Rs. 1000/- scholarship Rs. 15,000/-, in this way unproductive expenditure is rather high as compared to the actual works to be done under this department. The ratio should be maintained properly and I would like to request the department to enquire this aspect and to reduee proportion of administrative expenditure as compared to the actual works done as for precticable. In other works, administrative expenditure must not be disproportionate high as compard to the actual works done in the field.

শ্ৰীলক্ষ্মী কান্ত শইকীয়া :— মাননীয় উপাধ্যক্ষ মহোদয়, জলসিঞ্চনৰ শিতানত যি দাবী উত্থাপন কৰিছে তাক সমৰ্থন কৰি মই কেইটামান পৰামৰ্শ দিবলৈ আগবাঢ়িছো।

মাননীয় উপাধ্যক্ষ মহোদয়,

কৃষি উৎপাদন আৰু জলসিঞ্চন এই দুয়োটা তাৎপৰ্য্য বিষয়ৰ সম্পৰ্কে বহলাই আলোচনা কৰাৰ কোনো আৱশ্যক নাই। এইটো এটা প্ৰথমেই মানি লোৱা কথা। এই আলোচনাত এটা কথা উত্থাপিত হৈছে, জলসিঞ্চনৰ ক্ষেত্ৰত একোৱেই কৰিব পৰা নাই। কিন্তু উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই একমত নহয়। আলোচনা কৰি চালে দেখা পোৱা যায় যে, আগতে অসমত জলসিঞ্চন বুলি কোনো এটা স্বকীয়া বিভাগ নাছিল। বাননিয়ন্ত্ৰণ আৰু জলসিঞ্চন দুয়োটা একেটা বিভাগতে আছিল। ৰাজ্যখনৰ প্ৰকৃত অৱস্থালৈ লক্ষ্য কৰিলে প্ৰকৃত পক্ষে পানীৰ অভাৱ দূৰ কৰাৰ পৰিবৰ্ত্তে পানীৰ অত্যাচাৰৰ পৰা কেনেকৈ ৰক্ষা কৰিব পাৰি সেইটোতহে বেছি ধ্যান দিয়া হৈছিল। বানপানী নিয়ন্ত্ৰণৰ কাৰণে অধিক টকা খৰছ কৰিছিল। খেতিৰ উৎপাদনৰ কাৰণে জলসিঞ্চনৰ আৱশ্যকতাৰ প্ৰশ্নটোৱে প্ৰাধান্য নোপোৱাৰ কাৰণেই আন আন ৰাজ্যৰ তুলনাত জলসিঞ্চন ব্যৱস্থাটো আমাৰ ৰাজ্যখনত পিছপৰি আছে। সৌ সিদিনা বাননিয়ন্ত্ৰণ বিভাগ আৰু জলসিঞ্চন দুয়োটাকে পৃথক কৰি দুটা কৰা হয় আৰু সেইমতেই আচনি আদি গ্ৰহণ কৰি জলসিঞ্চনত যাতে আমাৰ ৰাজ্যখন আগবাঢ়ি যাব পাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে মই আমাৰ চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ নিচিনা এখন কৃষিপ্ৰধান ৰাজ্যত কৃষি উৎপাদনৰ আৰু কৃষি বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৫ম পৰিকল্পনাত জলসিঞ্চনৰ ওপৰত অগ্ৰাধিকাৰ দিয়াৰ কাৰণে মই সুখী হৈছো। অসমৰ দৰে এখন দুখীয়া ৰাজ্যৰ অৰ্থনীতি কৃষিৰ ওপৰতেই নিৰ্ভৰশীল যি ধৰণেৰে আজি এই বিভাগত টকা পইছা খৰ্য্য কৰিছে তাৰ দ্বাৰা আমাৰ দুখীয়া কৃষক সকল উপকৃত হব, কৃষিৰ উৎপাদন বাঢ়িব আৰু আমাৰ ৰাজ্যখনৰ অৰ্থনীতিতো ই ৰৰঙণি আগবঢ়াব। ৫ম পৰিকল্পনাৰ কালছোৱাত ২ লাখ ২০ হেজাৰ হেক্টৰ অতিৰিক্ত মাটিত জলসিঞ্চনৰ কাৰণে যি পৰিকল্পনা হাতত লোৱা হৈছে

এইটো সঁচাকৈয়ে আনন্দৰ কথা। আশা কৰিছো আমি আমাৰ প্ৰকৃত লক্ষ্যত উপনীত হব পাৰিম। ইতিমধ্যেই ৫৮ হেজাৰ হেক্টৰ মাটিত জলসিঞ্চন কৰা হৈছে আৰু ৪৫ হেজাৰ ৬৫০ হেক্টৰ মাটিত অহা বছৰ জলসিঞ্চন কৰিবৰ চেষ্টা কৰিছে। এইটো সঁচাকৈয়ে ভাল লক্ষণ। এই ক্ষেত্ৰত নিৰ্দ্ধাৰিত সময়ত বিভাগীয় কাম খিনি কৰিব পৰাৰ কাৰণে যত্ন লব বুলি মই আশা কৰিছো। ইতিমধ্যে ১১ খন মজলীয়া জলসিঞ্চন আচনি আৰু এখন বৃহৎ আচনিৰ কাম হাতত লোৱা হৈছে। এইখিনিও যাতে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত আগবাঢ়িব পাৰে তাৰ কাৰণে মই আশা কৰিছো। যিহেতুকে এইবিলাক আচনি নতুনকৈ লোৱা হৈছে গতিকে আৰম্ভণিতে এইবিষয়ে চাব লাগিব। ৰাজ্যপালৰ ভাষণত যিখিনি কথা দিয়া লাগে সেইখিনি দিছে। ইতিমধ্যে এই বিভাগে কিছুমান সংমণ্ডল গঠন কৰি অনুসন্ধান আৰু কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত কেইবাটাও সংমণ্ডল গঠন কৰি দিছে। সেইমতেই কামত আগবাঢ়িছে। কিন্তু সংমণ্ডল হৈছে যদিও কোনো অঞ্চল বাদ পৰিছে আৰু কোনো অঞ্চলত জলসিঞ্চন ব্যৱস্থা হৈছে। প্ৰত্যেক মহকুমাতে কি কি চাহিদা আছে, কি কি আচনি লব লাগে, কি কি কাম কৰিব লাগে সেই বিলাকৰ সমীক্ষা আহিব লাগিব আৰু ৫ম পৰিকল্পনাত কৰিব নোৱাৰিলেও তাৰ অধিকাংশই হাতত লব পাৰিব বুলি আশা কৰিব পাৰি। কিন্তু এইখিনিতে মই এটা কথা সোঁৱৰাই দিব খুজিছো যে, এই জলসিঞ্চন সংমণ্ডল বিলাক হলেই যে কাম হব সেইটো আমি কেতিয়াও কব নোৱাৰো। যি বিলাক আচনি আদি কৰি তাত কৰ্মচাৰী সকল নিয়োগ কৰিব তাত সমানে সমানে যদি কামত আগবাঢ়িব নোৱাৰি তেতিয়াহলে, যি উদ্দেশ্যত এইবিলাক কৰা হৈছে তাতটো আগবাঢ়িব পৰা নেযাবই বৰং ই দুৰ্ব্বহ বোজাহে হব। সেইকাৰণেই মই মাননীয় মন্ত্ৰী মহোদয়ক নিবেদন কৰিছো যি ধৰণেৰে এই সংমণ্ডল বিলাক গঠন কৰা হৈছে সেইমতেই কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰতো দ্ৰুত হব লাগিব।

মাননীয় উপাধ্যক্ষ মহোদয়, অভিজ্ঞতাৰ পৰা আমি যি দেখিছো

অসমত যিবিলাক জলসিঞ্চনৰ আচনি লোৱা হৈছে সেইবিলাকৰ বেছি ভাগেই নদীত কৰা হয় আৰু বেছিভাগকেই মাত্ৰ খাৰিফ শস্যত পানী দিবৰ কাৰণেহে আচনি কৰা হৈছে বুলি কলেও অত্যুক্তি কৰা নহয়। অসমত যি বাবে বৈজ্ঞানিক পদ্ধতিত ৰবিশস্যৰ আচনি আৰম্ভ কৰা হৈছিল সেই বছৰ তাৰ লক্ষ্যত উপনীত হব নোৱাৰাৰ একমাত্ৰ কাৰণেই হল যিমতে পানী যোগান দিব লাগিছিল সেইমতে পানীৰ যোগান সময়ত দিব নোৱাৰিলে কিয়নো যিবিলাক আচনি কৰিছিল সেইবিলাক খাৰিফ বতৰত হোৱা শস্যত পানী দিবৰ কাৰণেহে উপযোগী। কিন্তু প্ৰকৃত অৱস্থাৰ পিনে লক্ষ কৰিলে আমি দেখা পাওঁ যে, অসমৰ দৰে এখন বানপীড়িত ৰাজ্যত বৈজ্ঞানিক পদ্ধতিৰে ৰবিশস্য কৰাৰ প্ৰতি অগ্ৰাধিকাৰ দিয়াৰ বাহিৰে আৰু গত্যন্তৰ নাই। পৃথিবীৰ ভিতৰতে অসমত বেছি বৰষুণ হয়। বাৰিষা কালত যথেষ্ট পানী থাকে। কিন্তু তথাপিও অকল যদি ৰবিশস্যৰ কাৰণেহে পানী যোগানৰ ব্যৱস্থা কৰা হয় তেতিয়াহলে, সেইটো ৰব বেয়া কথা হব। ৰবিশস্যৰ কাৰণে যেনেকৈ চেষ্টা কৰা উচিত তেনেকৈ খাৰিফ শস্যৰ কাৰণেও জলনিঞ্চনৰ ব্যৱস্থা থকাটো নিত্যান্তই আৱশ্যক। তেতিয়াহে ৰাজ্যখনৰ কৃষি উৎপাদনৰ ক্ষেত্ৰত সমানে আগবাঢ়ি যাব পাৰিব। ইতিমধ্যেই যি বিলাক আচনি কৰা হৈছে সেইবিলাকৰ জৰিয়তে যাতে দুই ধৰণে পানীৰ যোগান ধৰিব পাৰি সেইটো কৰিলে উচিত হব। ইয়াৰ বাহিৰেও অসমত যি কেইটা প্ৰণালীৰে জলসিঞ্চনৰ কাম কৰা কৰা হৈছে তাৰ ভিতৰৰে আন এটা হৈছে উত্তোলক জলসিঞ্চন আচনি। ৰাজ্যখনত যি বিজুলী শক্তিৰ উৎপাদন হৈছে সেই বিজুলী শক্তি যি ধৰণে কৃষিৰ ক্ষেত্ৰত প্ৰয়োগ হব লাগিছিল সেই ধৰণেৰে হোৱা নাই। ইতিমধ্যেই আমাৰ গাওঁ বিলাকলৈ বিজুলী শক্তি নিয়াৰ কাৰণে চেষ্টা কৰিছে কিন্তু অকল ঘৰলৈ বা আলিৰাট বিলাকলৈ বিজুলী শক্তি নিলেই নহব, কৃষি উৎপানৰ বৃদ্ধি কৰাৰ বাবে যাতে শক্তিচালিত পাম্পৰ দ্বাৰা খেতিৰ পথাৰত পানী যোগানৰ সুবিধা পাব পাৰে তাৰ কাৰণেহে আচনি প্ৰস্তুত কৰা নিত্যান্তই উচিত। ইতিমধ্যেই যি

কেইটা উত্তোলক জলসিঞ্চন আচনি আমাৰ ৰাজ্যত আছে সেই কেই-টিৰ কি অৱস্থা আছে সেইটোও চাব লাগিব। উত্তোলক জলসিঞ্চন আচনিৰ ওচৰত থকা খেতিয়ক সকলে কয় যে, সময়মতে পানী দিব নোৱাৰাৰ কাৰণে খেতি কৰিব পৰা নাই। আনকি কঠিয়াও পাৰিব পৰা নাই।

ইয়াৰ একমাত্ৰ কাৰণ হল বিদ্যুৎ বৰ্ড, জলসিঞ্চন আৰু কৃষি-বিভাগৰ মাজত যিটো সমন্বয় থাকিব লাগিছিল সেইটোৰ অভাব। সেইকাৰণে সামগ্ৰিক ভাৱে মই এই বিভাগৰ দুয়োজন মন্ত্ৰী মহোদয়কে অনুৰোধ জনাইছো যাতে আচনিখন ঠিকভাবে প্ৰস্তুত কৰা হয় আৰু খেতিয়ক ৰাইজে লোকচান ভৰিব লগা নহয়। আন এটা কথা চাব লগা হৈছে যে উত্তোলন জলসিঞ্চন আচনিৰ বাবে খাজনা আদায় কৰাৰ পদ্ধতি কৰা হৈছে। কিন্তু এই কথাটোত বিশেষ লক্ষ্য ৰাখিব লাগিব যে পানীৰ যোগান ধৰিব পাৰিলেহে খাজানা যেন আদায় কৰা হয়, অৰ্থাত সময়মতে পানী যোগান ধৰাৰ পিচতহে যেন এই খাজনা আদায় কৰা হয়।

উপাধ্যক্ষ মহোদয়, এটা কথা আমি দেখিবলৈ পাইছো যে উত্তোলন জলসিঞ্চন আঁচনি নাইবা অন্যান্য যি জলসিঞ্চন আঁচনি কৰা হৈছে তাৰ কাৰণে আমাৰ খৰচো অধিক হৈছে আৰু মাটি-বাৰিও অনেক আবদ্ধ হৈছে। সেইকাৰণে আমি এইটো কথালৈ চাব লাগে যেন আমিও আন আন ৰাজ্যত যি ধৰণেৰে জলসিঞ্চন আচনি কৰি তাৰ প্ৰতি মানুহৰ মন আকৰ্ষণ কৰিব পাৰিছে সেই ধৰণেৰে যাতে আমাৰ ৰাজ্যতো আচনি প্ৰস্তুত কৰা হয় আৰু মানুহক পতিয়ন নিওৱা হয়। নলী নাদৰ জলসিঞ্চন আচনিৰ প্ৰতি এতিয়াও আমি নজৰ দিয়া উচিত কাৰণ আমাৰ ৰাজ্যত বিদ্যুতৰ হাৰ কম। সেইকাৰণে নলীনাদৰ জলসিঞ্চন আচনিৰ দ্বাৰা আমি কম আয়াসতে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিম। সেইকাৰণে এই বিধ জলসিঞ্চনৰ প্ৰতি অধিক নজৰ দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। লগে লগে

উপাধ্যক্ষ মহোদয়, মই নিজে এই কথা বিশ্বাস কৰো যে গোটেই ৰাজ্যখনৰ প্ৰতি ইঞ্চি মাটিতে অতি কম দিনৰ ভিতৰতে জলসিঞ্চন কৰাটো সম্ভৱ নহয়। কাৰণ ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ কথাটো ইয়াৰ লগত জড়িত আছে। সেইকাৰণে যাতে আমাৰ ৰাইজে নলীনাদৰ জলসিঞ্চন আচনি গ্ৰহণ কৰিব পাৰে তাৰ ব্যৱস্থা লব লাগে। এইটো অতি সুখৰ বিষয় যে আমাৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীয়ে যি অৰ্থনৈতিক কুৰিদফীয়া আচনি গ্ৰহণ কৰিছে তাৰ ভিতৰত কৃষি আৰু জলসিঞ্চন বিভাগেও ভাগ পাইছে। সেই অনুসৰি আমাৰ ৰাজ্যত যিবিলাক ৰাষ্ট্ৰীয়কৃত বেংক আছে সেইবিলাক কৃষি বিষয়ত আগবাঢ়ি আহিছে— এইটো অতি সন্তোষৰ কথা। সেইকাৰণে কৃষি বিভাগে এনে জলসিঞ্চন আচনি প্ৰস্তুত কৰিব লাগে যে, যাৰ জড়িয়তে যিবিলাক বেংকত মানুহে নলীনাদৰ জলসিঞ্চন আচনি লব খোজে তেওঁলোকক সহায় কৰিবলৈ এই বেংকবোৰ আগবাঢ়ি আহে আৰু মানুহে কম আয়াসতে ইয়াৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

উপাধ্যক্ষ মহোদয়, মই আন এটা কথা কব খুজিছো। সেইটো হল উত্তোলন জলসিঞ্চন আচনিৰ বাহিৰেও আন আন কেইটামান পদ্ধতি যেনে টিউবৱেল, চেল টিউবওৱেল আৰু পাৱাৰ পাম্প। এইবোৰ লোৱাৰ ক্ষেত্ৰত আমাৰ মানুহৰ পৰা খাজনা আদায় কৰাৰ ব্যৱস্থা কৰা হৈছে। আমাৰ ৰাজ্যখনৰ আৰ্থিক অৱস্থালৈ চাই উপাধ্যক্ষ মহোদয়, এই ব্যৱস্থা লোৱা উচিত হৈছে। কিন্তু এটা কথা চাব লাগিব যে যিসকল লোক ইয়াৰ পৰা উপকৃত হৈছে সেইসকল লোকৰ পৰাহে যেন খাজানা আদায় কৰাৰ ব্যৱস্থা হয়। তেতিয়াহে মানুহৰ লিপ্সা ইয়াৰ প্ৰতি বাঢ়িব, গ্ৰহণ কৰিব পাৰে আৰু আগবাঢ়ি আহিব। আন এটা কথা মই এই খিনিতে উনুকিয়াব খুজিছো। সেইটো হৈছে যোৱা ৰবিশস্যৰ সময়ত আমাৰ পথাৰবোৰত যিবিলাক ছেল ফিল্টাৰ দিছিল দেখা গৈছে বহুত ঠাইত সেইবোৰ এনেয়ে পৰি থাকিল, যিটো চুক্তিত সেইবোৰ দিছিল সেই চুক্তি মানি লবলৈ খেতিয়ক আগবাঢ়ি

নাহিল। সেইকাৰণে সেই আচনি কাৰ্য্যকৰী কৰিব পৰা নহল। অথচ টকাবোৰৰ অপব্যৱহাৰ হল। সেইবোৰৰ প্ৰতি চকু দিব বুলি মই চৰকাৰক অনুৰোধ কৰিছো। এই খিনিকে কৈ মই যিটো দাবী মঞ্জুৰী প্ৰস্তাৱ উত্থাপন কৰিছো সেইটো সমৰ্থন কৰি সামৰণি মাৰিছো।

শ্ৰীপিট সিং কোঁৱৰ :— উপাধ্যক্ষ মহোদয়, কৃষি ক্ষেত্ৰত ক্ষুদ্ৰ জলসিঞ্চন আচনি বিষয়ত যি কৰ্ত্তন প্ৰস্তাৱ আহিছে সেইটোৰ সমৰ্থনত মই দুআষাৰ কবলৈ উঠিছো।

কৃষি উৎপাদনৰ কাৰণে যে ক্ষুদ্ৰ জলসিঞ্চন আচনিৰ অতীৱ প্ৰয়োজন সেইটো কোনেও নুই কৰিব নোৱাৰে। এই কথা সকলোৱে স্বীকাৰ কৰিব। কিন্তু কাৰ্য্যত পৰিণত নোহোৱাৰ কাৰণেহে বৰ দুখ লাগে। এইটো এটা শ্লগান হৈ পৰিছে— নেতা উপনেতা, ৰাজনৈতিক দলৰ কিছুমান মানুহ আনকি মন্ত্ৰী সকলেও ইয়াক এটা শ্লগান হিচাবে ব্যৱহাৰ কৰাত লাগি গৈছে। আমাৰ নগাওঁত ক্ষুদ্ৰ জলসিঞ্চন আচনিৰ বাবত মই চেষ্টা কৰিছিলো। নগাৱৰ মৰিগাওঁত এই বিষয়ৰ কোনো অফিছ নাই। তাত এজন অভাৰচিয়াৰ দিছিল। তেৱোঁ কিছু দিন থাকি ই এণ্ড ডি বিভাগলৈ গুছি গল, কাৰণ তাত কোনো কাম কাজ নাই আৰু বাহিৰা পইচাও হয়তো নাই। অথনি মন্ত্ৰী মহোদয়ে এটা প্ৰশ্নৰ উত্তৰত কৈছিল যে গবেষণা চলি আছে। এই গবেষণা কিহৰ বাবে চলিছে? মাটি টেষ্ট কৰা হৈছে নে কি কত চেল' ফিলটাৰ বহুৱাব পৰা হয় আৰু কত দিপ টিউবওবেল বা উত্তোলন জলসিঞ্চন ইৰিগেচন বহুৱাব পৰা হয়? যোৰহাটৰ চাঙৰ ওপৰত এডোখৰ মাটি আছে তাতে এই গবেষণা চলাই আছে। কথাটো এনেকুৱা নহৈ উপাধ্যক্ষ মহোদয়, জলসিঞ্চন ভাল ধৰণেৰে কাৰ্য্যকৰী কৰিবৰ বাবে মই এটা পৰামৰ্শ দিব খুজিছো। পৰামৰ্শটো হৈছে এই যে প্ৰত্যেক মহকুমা ভিত্তিত একো একোটা অফিচ বহুৱাব লাগে। কিছুমান অফিচাৰ আছে কাম কাজ নাই, এনেয়ে বহি থাকে আৰু জিপ খনলৈ তাছ বা জোৱা খেলেগৈ। ইফালে মাক-বাপেক আৰু পুতেকে নিজৰ খেতিৰ বাবে

নৰ্দ্দমাৰ পৰা পানী তুলিয়েই আছে যাতে তেওঁলোকৰ খেহুডৰা ভাল হয়, সোনকালে হয়, নহলে চৰকাৰলৈ আশা কৰি বহি থাকিলে তেওঁলোকে খাবলৈ নাপায়। ভূৰবন্ধা ব্লকত খবৰ লৈ মই জানিব পাৰিছো সেই ব্লকটোত মাথোন জলসিঞ্চনৰ বাবে তিনি হেজাৰ টকাহে দিছে যিটো ব্লক পাচঁটা মৌজাৰে গঠিত হৈছে।

উপাধ্যক্ষ মহোদয়, পাচঁটা মৌজাৰ কাৰণে জলসিঞ্চনৰ বাবে মাত্ৰ তিনি হাজাৰ টকা দিছে কিন্তু ইয়াৰ দ্বাৰা কি হব আমি বুজি নাপাওঁ। মই মাননীয় সদস্য শ্ৰীগিয়াচুদ্দিন আহমেদ চাহাবে কোৱা কথাষাৰকে কওঁ যে মহতকৈ শিং চৰা হৈছে। কাম কম কিন্তু মানুহ বেছি লোৱা হৈছে। কাম যেতিয়া নাই মানুহ ইমান দৰকাৰ কিয়? অলপতে আমাৰ ভূৰবন্ধাত এখন মিটিং পাতিছিলো আৰু চেল ফিলটাৰ লোৱাৰ আৰু এচ-এফ-ডি স্কীমৰ বিষয়ে আলোচনা কৰিবলৈ ৰাইজক বুজাবলৈ বুলিয়েই সেই ৰাজহুৱা সভা পতা হৈছিল। তাত গৈ মই বাৰ ঘণ্টা বহি আছিলো। কৃষি বিষয়া আহি কথাটো ৰাইজক ইয়াৰ বিষয়ে খৰচি মাৰি বুজাই দিব বুলি আশা কৰিছিলো। কিন্তু কৃষি বিষয়া জন নাহিল। ইয়াৰ পৰা কোনোবা এজন কৃষি মন্ত্ৰী গল নগাওঁলৈ; সেই কাৰণে কৃষি বিষয়া মন্ত্ৰীৰ পিচে পিচে ঘুৰি-বলগীয়া হল। নিজেতো হেওঁলোকে ৰাজহুৱা সভা আহ্বান কৰিব নোৱাৰেই আমি যদিও আয়োজন কৰিছিলো তাত গৈ কথা কেইটা বুজাই দিব-লৈও নোলালগৈ। মই বৰ আশা কৰি বহি আছিলো, কৃষি বিষয়াই বুজাই দিয়াৰ পিচত গ্ৰীন ৰিভলিউচন হব বৰ ভাল হব, মই চুপি আছিলো কিন্তু তেওঁ যদিও নিজ গৰজতে আহিব লাগে এচ-এফ-ডিৰ কথা ৰাইজক বুজাব লাগে কিন্তু নাহিল। তেওঁলোকেও কমিচন পায় আৰু ৰাইজেও জলসিঞ্চনৰ ব্যৱস্থাৰ সুযোগ পাব পাৰে। কিন্তু এতিয়া আমাৰ প্ৰশা-সনীয় ব্যৱস্থা বিশেষকৈ আমাৰ কৃষি বিভাগটো মনঃপুত হোৱা নাই। নট আপ টুদি আৰ্ক। পলিটিকেল শ্লোগান দি কৃষি কৰক, খেতি কৰক বুলি কলে নহব। কাৰ্য্যক্ষেত্ৰত যে সেইমতে কৰিবলৈ আগবাঢ়ি

আহিব লাগিব। গিয়াচ্‌দ্দিন চাহাবে এটা কথা কৈছে, মই সেইটো সঁচাকৈয়ে সমৰ্থন কৰিছো যে পানী উত্তোলন কৰাৰ কাৰণে ব্যৱস্থা কৰিছে যদিও সেইবিলাক পানীৰ কোনো চোৰ্চ নাই। মই নিজে মঙ্গলদৈ অঞ্চললৈ যাওঁতে দেখিছো যে উত্তোলিত জলসিঞ্চন কৰি ৰাখিছে অথচ তাত পানী নাই। যি ফালৰ পৰা পানী সোমাব লাগে সেই ফালেই পানী নাই। পানী সোমোৱা ফুটাকে ঢুকি নাপায়। বোধ-কৰো সেই অঞ্চলৰ সদস্য গৰাকী পাওৱাৰফুল হোৱা কাৰণে আনৰ নাওঁ পানীৰে যায় আৰু তেখেতৰ নাওঁ বামেৰেও গৈছে। উত্তোলিত জলসিঞ্চন কৰা হৈছে বামতেই। চেল' ফিলটাৰ বহুৱা হৈছে বাম ঠাইতেই। মই কিন্তু সিদিনা বাৰ ঘণ্টা বহি থাকিলো এজন অফি-চাৰক লগ পাবলৈ ৰাইজৰ কামত সহায় কৰিবলৈ কিন্তু তেখেতক দেখাকে নাপালো।

উপাধ্যক্ষ মহোদয়, আমাৰ কৃষি মন্ত্ৰী এজন বয়োবৃদ্ধ লোক শ্ৰদ্ধেয় আৰু নতুনকৈ মাত্ৰ মন্ত্ৰী হৈছে। ইমান বিলাক প্ৰশ্ন সুধিলে মোৰ নিজৰেই বৰ বেয়া লাগে। নতুনকৈ হোৱা মন্ত্ৰী অলপ মেচিউৰ হবলৈ দিব লাগে।

(সদনত হাঁহিৰ ৰোল উঠে।)

তেখেতে যাতে এই ৰেজিঅ'নেল ডিচপেৰিটিৰ ফালে অলপ চায় সেইটো অনুৰোধ কৰিলো। মহকুমাত অফিচাৰ নাই, কৰ্ম্মচাৰী নাই সেই বিলাক যদি ঠিক কৰি দিয়া হয় আমি আৰু তেখেতক দিগদাৰী নকৰো। কৰিলে কমিনিষ্ট গ্ৰুপৰ ফালৰ পৰাহে কৰিব পাৰে। সঁচাকৈ

(সদনত হাঁহিৰ ৰোল উঠে।)

এনেকুৱা মানুহৰ প্ৰতি পুতৌ উপজে। দেখাই শুনাই বজাঘৰীয়া মানুহৰ নিচিনা কিন্তু বিভাগটোহে একেবাৰে বেয়া বিভাগ পাইছে। ইয়াৰ আগতে শ্ৰীউপেন দাস ডাঙৰীয়া মন্ত্ৰী থাকোতে কনডেম কৰা হৈছিল আকাশী যানেৰে স্প্ৰে কৰাৰ কাৰণে। আকাশী যানেৰে স্প্ৰে কৰিলে

কিন্তু, মাটিত পৰিল নে ব্ৰহ্মপুত্ৰৰ পানীতেই পৰিল সেইটো খবৰ নাই। সেই কাৰণে এতিয়াও মন্ত্ৰী মহোদয়ক কওঁ যাতে অন্যায় নকৰি সোনকালে পানী বিতৰণৰ ব্যৱস্থা কৰাৰ দিহা কৰে। আন একো কৰিব নোৱাৰিলেও বাল্টি কিছুমান কিনক আৰু ডেকা লৰা কিছুমান নিয়োগ কৰি দিয়ক। মই নিজেই পাচ হাজাৰ ডেকা লৰা দিম আন সদস্য সকলেও যদি তেনেকৈ দিয়ে তেনেহলে বাল্টি লৈ পানী যোগান দিয়াত লাগিব পাৰিব। মাহেকত দেঢ়শ টকা দৰমহা দিলেই যথেষ্ট হব, বহুত ডেকা লৰা পোৱা যাব। আমাৰ শইকীয়া ভাণ্ডৰীয়াৰ নিচিনা এজন মন্ত্ৰী হলে তুফান চলিব। গতিকে মই মন্ত্ৰী মহোদয়ক কৈছো যে ৰজাঘৰীয়া দলৰ মানুহ নহও বুলি আমাৰ ফালে যাতে মনোযোগ নিদিয়াকৈ নাথাকে আৰু অন্ততঃ মৰিগাওঁ মহকুমাৰ কাৰণে অলপ পানী যোগান দিয়াৰ ব্যৱস্থা কৰে। আন নহলেও যাতে বাল্টি কিনি হলেও পানী দিয়াৰ ব্যৱস্থা কৰে আৰু দিপ টিউবৱেল বহুৱাৰ ব্যৱস্থা কৰে, তাকে মন্ত্ৰী মহোদয়ৰ ওচৰত নিবেদন জনালো। কিয়নো এতিয়ালৈকে মাত্ৰ ২হাত এটা আৰু লগুকাত এটাহে গভীৰ নলীনাদ বহুৱা হৈছে সিও খোৱা পানীৰ কাৰণে। ভগবানৰ দান, যত জীৱ তত শিৱ বুলি ভাবি যদি কাম কৰে সেইটোকে জনাই থলোঁ। অৱশ্যে মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰিবলগীয়া হলো এই কৰণেই যে কৃষি বিভাগৰ অৰ্থাৎ জলসিঞ্চন বিভাগত বহুত খিনি লেপ্চেচ আছে, কাম হোৱা নাই তাৰ কাৰণে।

শ্ৰীসুদৰ্শন দাস :— মাননীয় উপাধ্যক্ষ মহোদয়, আমি এই কৰ্ত্তন প্ৰস্তাবের বিরোধীতা করে জলসিঞ্চনের ব্যাপ্যারে ২/১ টা কথা বলতে চাই। মহোদয়, যেহেতু জলসিঞ্চন বিষয়টির সঙ্গে কৃষির সম্পৰ্ক অঙ্গাঙ্গী ভাবে জড়িত, সেহেতু আমি কৃষি ব্যৱস্থা সম্পৰ্কে কিছুটা আলোচনা করবো।

আসাম মুখ্যতঃ একটি কৃষি নিৰ্ভৰশীল রাজ্য এবং কৃষির উন্নতি

এবং অবনতির সঙ্গে যেহেতু আসামের অর্থনীতি জড়িত, সেই হিসাবে আমি বর্তমানে এই কৃষির জন্য যে পদ্ধতিতে জল জলসিঞ্চনের ব্যবস্থা চল্‌ছে সে সম্পর্কে কিছু আলোচনা করা প্রয়োজন বলে মনে করি। কিন্তু একটা কথা স্বীকার করতে বাধা নাই যে এই বিংশ শতাব্দীর শেষ প্রান্তে এসেও আমরা কৃষি বিষয়ে আজ একান্ত ভাবে প্রকৃতির উপর নির্ভবশীল। বৈজ্ঞানিক প্রথায় চাষ বা অর্থনৈতিক লাভজনক চাষ পদ্ধতির কাছাকাছি আমরা আজও যেতে পারি নাই।

মহোদয়, জরুরী অবস্থা চলাকালীন আমাদের প্রধান মন্ত্রী কর্ত্তৃক ঘোষিত ২০ দফা কার্য্যসূচীর সাফল্যের স্বার্থে কৃষি বিষয়ে আদের আরও তত্‌পর হওয়া উচিত।

মহোদয়, পরিসংখ্যা ভিত্তিক আমি সংক্ষেপে এ বিষয়ে আলোচনা করবো এবং এ বিষয়ে আসাম কতটুক উন্নতি করতে সক্ষম হয়েছে তা তুলে ধরার চেষ্টা করবো। মহোদয়, আমাদের রাজ্যের শতকরা ৫৫.৬ ভাগ অর্থাগম হয়েছে এই কৃষির মাধ্যমে এবং ৬৫.৭ ভাগ লোক কাজ করছে কৃষিক্ষেত্রে। সুতরা এবং গুরুত্ব সুস্পষ্টা সর্ব্বভারতীয় ক্ষেত্রে কৃষি পরিকল্পনার ভিত্তিতে প্রাকথিত সবুজ বিপ্লব অনুষ্ঠিত হওয়ার ফলে রাজ্য ভিত্তিক পরিসংখ্যাত আসাম রাজ্য অন্যান্য ভারতীয় রাজ্যের তুলানায় পিছনে পড়ে আছে। এর একমাত্র কারণ জলসিঞ্চনের অসুবিধা। আমার বক্তব্যের সমর্থনে আমি একটি তুলনামূলক পরিসংখ্যাব উপস্থিত করছি। ১৯৬০-৬১ ইং থেকে ১৯৭০-৭১ ইংরাজীর মধ্যে খাদ্য উৎপাদনের ক্ষেত্রে আসামে উৎপাদন বৃদ্ধির হার শতকরা ২ ভাগ। সে ক্ষেত্রে হিমাচল প্রদেশের হার ১২.৪ ভাগ, গুজরাটে ৮.৮ ভাগ, রাজস্থানে ৬.৯ ভাগ, হারিয়ানা ৬.৫ ভাগ এবং সর্ব্বভারতীয় গড় ২.৯ ভাগ সতরাং অন্যান্য রাজ্যের কথা ছেড়ে দিলেও সর্ব্বভারতীয় উৎপাদনের তুলনায় আমরা এখনো ১ ভাগ পিছনে পড়ে আছি। অথচ আমাদের আসাম রাজ্যের জনসংখ্যা আনুপাতিক ভাবে বেড়ে চলেছে। সুতরাং অর্থনীতিক দুর্য্যোগ অনিবার্য্য। এই অর্থনৈ-

তিক দুর্যোগ থেকে রক্ষাপেতে হলে একমাত্র কৃষির উন্নতি করতে হবে এবং তা একমাত্র জলসিঞ্চনের অবাধ ব্যবস্থার ফলেই সম্ভব।

উপাধ্যক্ষ মহোদয়, অন্যান্য কৃষি উৎপাদনেও আমরা অন্যান্য রাজ্যের তুলনায় পিছনে পড়ে আছি। এক্ষেত্রে ১৯৫১—৫৪ ইং থেকে ১৯৭১—৭৪ ইরাজীর মধ্যে সর্বভারতীয় ক্ষেত্রে উৎপাদনের সঙ্গে আমাদের রাজ্যের উৎপাদন তুলনা করলে দেখা যায় যে 'পাট' উৎপাদনের বৃদ্ধির ক্ষেত্রে সর্বভারতীয় গড় শতকরা ০·২ এবং আসামে শতকরা ০·১ ভাগ। সবিরষার ক্ষেত্রে সর্বভারতীয় গড় ১·৪ ভাগ বৃদ্ধি, আসামে ০·২ ভাগ উৎপাদন কমেছে, আলু, সর্বভারতীয় গড় ·০৬ ভাগ উৎপাদন বেড়েছে, আসামে কমেছে ১·৪ ভাগ। ইক্ষু, সর্বভারতীয় বৃদ্ধির গড় ১·২ ভাগ, আসামে, ১·৬ ভাগ সুতরাং উপাধ্যক্ষ মহোদয়, আসামের মতো শিল্পে অনুন্নত একটা রাজ্যে কৃষি ব্যবস্থার উন্নতি করতে হবে। কারণ, আসামের কৃষি ব্যবস্থা একটা বিষাক্ত আবহাওয়ার মধ্যে ঘুরপাক খাচ্ছে। এরথেকে বেরিয়ে আসতে হবে। তবে একথা স্পষ্ট যে আসাম সরকার কৃষি এবং জলসিঞ্চন সংক্রান্ত যে আইন প্রণয়ন করেছেন বা প্রস্তাব নিয়েছেন তা সর্বভারতীয় ক্ষেত্রে খুবই প্রশংসনীয়। তবে, কেন কৃষি ক্ষেত্রে আমাদের উন্নতি হলনা সেটা ভেবে দেখা দরকার।

আসামে কৃষির উন্নতির ক্ষেত্রে কতকগুলি বাধা আছে :—

যেমন, বন্যা আমাদের প্রতি বৎসরের সাথী।

তাছাড়া যোগাযোগের অব্যবস্থার জন্য আমাদের কৃষি উৎপাদক সহায়ক সামগ্রী সরবরাহ করা একান্ত অসুবিধা জনক। সেই ব্যবস্থায় এখনো আমরা অত্যন্ত পছাদে পড়ে আছি।

সেচ ব্যবস্থা আরও পরিপক্ক হওয়া প্রয়োজন।

এছাড়া, ভূমিহীন চাষীর সংখ্যাধিক্য। এছাড়া আছে মাথাপিছু চারযোগ্য জমির স্বল্পতা, ভূমির প্রকৃতি অনুযায়ী চার ব্যবস্থা চালুনা

করা। মধ্যস্বত্ব ভোগীদের প্রত্যক্ষ্য এবং পরোক্ষা প্রভাব এবং আরও অনেক কারণ যার জন্য আমরা কৃষিক্ষেত্রে আশানুরূপ ফল লাভ করতে পারছিনা। এইসব কারণ যদি আমরা দূর করতে না পারি তাহলে কৃষি উৎপাদন বৃদ্ধি ও কৃষককূলের উন্নতি অসম্ভব।

উপাধ্যক্ষ মহোদয়, সরকার কৃষকদের সুযোগ সুবিধা দেওয়ার জন্য যে সব আইন পাশ করেছেন তা অত্যন্ত সুন্দর। তবে অপ্রিয় হলেও একথা সত্যি যে জমির সিলিং আইন ১৯৬৬ সালে পাশ হওয়ার পর ক্রমে ১৯৭০-৭২-৭৪ সালে এর সংশোধন হয়েছে কিন্ত তবুও সম্পূর্ণ উদ্বৃত্ত জমি সরকারের হাতে এসেছে কি? স্বাধীনতার পূর্ববর্তী সময় থেকে কংগ্রেস কৃষকদেরে যে প্রতিশ্রুতি দেওয়া হয়েছিল জমির আসল মালিক হবে কৃষক তা আজ পর্যন্ত বাস্তবে রূপায়িত করতে আমরা পারিনাই তাই আজও আমাদের প্রধান মন্ত্রীকে বলতে হয়।

The vast majority of our Feople are living in rural aveas. we must implement the ceiling laws and distribute among the landless with redeuble zeal.

উপাধ্যক্ষ মহোদয়, আমি গর্বিত যে আমাদের রাজ্যসরকার এখন অনেক ব্যবস্থা অবলম্বন করেছেন যাতে প্রকৃত চাষীর উপকার হবে। ইতিমধ্যে বহু কৃষক শ্রমিকদেরে ভূমিদান করা হয়েছে।

Mr. Deputy Speaker :— You are to conrtinue to the Subject matter. The subject is Irrigation and soil conservation.

শ্রীসুদর্শন দাস :— উপাধ্যক্ষ মহোদয়, জলসিঞ্চন ব্যবস্থার সঙ্গে কৃষির সম্পর্ক অঙ্গাঙ্গীভাবে জড়িত। তাই আমি জলসিঞ্চন সম্পর্কে আমার বক্তব্য আমি পরে আসছি।

মহোদয়, শনবিল এবং রাতাবিল সম্পর্কে আমি অনেকবার

এই সদনে আলোচনা করছি। এইসব অঞ্চলে প্রচুর বুরো ফল উত্পাদন হয় কিন্তু প্রতিবতসর জলসিঞ্চনের অভাবে এই ফল নষ্ট হয়ে যায় সেইজন্য আমার অভিজ্ঞতা থেকে আমি বলেছি যে সিংলা নদীর কুড়িখালা অঞ্চলে যদি স্থায়ী বাধা দেয়া যায় এবং তার থেকে যদি ছোট ছোট খাল খনন করে চতুর্দিকে জলসিঞ্চনের ব্যবস্থা করা যায় তা হলে জলের অভাবে জমি পতিত থাকবে না।

মাননীয় উপাধ্যক্ষ :— আপুনি শেষ কৰক

শ্রীসুদর্শন দাস :— মহোদয়, তাই আমি জলসিঞ্চন মন্ত্রী মহোদয়কে অনুরোধ করি যাতে কুড়িখালাতে একটা স্থায়ী বাঁধ দেওয়ার বন্দোবস্ত তিনি করেন। কারণ এতে জলসিঞ্চনের একটি ভাল ব্যবস্থা হবে। তত্রুপরি আনাইর হাওর এবং গুমতি নদীর সমস্ত জলধারা শনিবিল এবং রাতাবিলে যাতে প্রবেশ করে অকালে ফসল নষ্ট করতে না পারে তারজন্য এই জলধারাকে বদরপুর ঘাটের নিকটবর্তী বরাক নদীতে প্রবাহিত করার ব্যবস্থা গ্রহণের অনুরোধ করছি। এতে অকাল বন্যার হাত থেকে শোনবিল; রাতাবিল এবং আনাইর হাওয়র রক্ষা পাবে।

শ্রীজালালউদ্দিন আহমেদ :— উপাধ্যক্ষ মহোদয়, যি কেইটা কাট মোচন আছে সেইকেইটা পেনডিং ৰাখিব লাগে।

Mr. Deputy Speaker :— It is impled. Now we come to item No. 3.

Shri Abdul muqtadir Choudhury absent.

The House stands adjourned till 10 A. M. Monday.

## ADJOURNMENT

The House rose of 11-30 A. M, and stood adjourned till 10 A. M. on Monday, the 8th March 1976

Dated Dispur
5-3-76

P. D. Barua
Secretary
Assam Legislative Assambly